# আদৰ্শৰ সন্ধানত এজন ডেকা ল'ৰা

শ্ৰীকৈলাশ কলিতা
১ম বাৰ্ষিক, স্নাতক মহলা

ৰাতিপুৱা শুই উঠিয়েই ভাত কেইটামান খাই ললে বিপ্লৱে। তাৰটো একেবাৰেই ইচ্ছা নাছিল যাবলৈ। কিমান 'ইণ্টাৰভিউ' দিয়া হল কিমান লিখা লিখি কৰা হ'ল কিন্তু কতো একো সংস্থাপন নহল। সিহঁতৰ দৰে দৰিদ্ৰ মানুহে যে চাকৰি পোৱা কঠিন তাক জানিও মাক আৰু নবৌয়েকৰ একান্ত জোৰতহে সি যাবলৈ ওলাইছে। কাৰণ এইখন ঘৰত কোনেও তাৰ ইচ্ছা অনিচ্ছাক পৰোৱা নকৰে যেতিয়ালৈকে সি নিজৰ উপাৰ্জনৰ পথ বাচি লব নোৱাৰে।

মাকক সেৱা এটা জনাই সি বাছ ষ্টেণ্ডলৈ খোজ ললে। সিহঁতৰ ঘৰৰ পৰা প্ৰায় এক কিঃ মিটাৰমান নিলগত বাছ ষ্টেণ্ড। বাছ ষ্টেণ্ড মানেনো আৰু কি, হৰগোবিন্দৰ চাহৰ দোকান, ৰামলাল আৰু ভজহৰিৰ ক্ৰমে চুলিকটা সৰু গুমটি আৰু পাণ তামোলৰ দোকান। চাধা চিগাৰেট আদিও ভজহৰিয়ে ৰাখে। সিহঁতৰ সোঁফালে ৰহিমৰ গেলামালৰ দোকান। লগতে চাহও বিক্ৰী কৰে। সিহঁতৰ গাৱঁৰে নিলকান্তই এবছৰ ঘৰত কাজিয়া কৰি গুচি গৈ চহৰত দৰ্জী কাম কিছু শিকি আহি ইয়াতে এখন দোকান আৰম্ভ কৰিছে। চিলাইও কৰে, কিছু কাপোৰো বিক্ৰী কৰে।

যাবলৈ ধৰা বাছখন কথমপি সি পালে যদিও বহিবলৈ নেপালে। তাৰ বাবে আক্ষেপ নাই তাৰ। থিয় হৈ যোৱাৰ সঞ্চিত অভিজ্ঞতা তাৰ আছে।

ডেৰ ঘণ্টা সময়ৰ ব্যৱধানত সি মহানগৰী পালে। সি নমা ঠাইৰ পৰা 'অফিচ' টোলৈ প্ৰায় ডেৰ কিঃ মিঃ বাট। চিটি বাছত যোৱাতকৈ খোজ কাঢ়ি যোৱা টেকে সি ঠিৰাং কৰিলে।

সি গৈ আছে। কেইজনীমান গাভৰু ছোৱালী তাৰ সন্মুখেৰে পাৰ হৈ গ'ল। সি তেওঁলোকলৈ নেচাওঁ বুলিও চালে। তেওঁলোকে তেওঁলোকৰ ওঠবোৰ কৃত্ৰিম ৰহণেৰে ৰঙাকৈ ৰাখিছে। বিতৃষ্ণাত মনটো ভৰি উঠে তাৰ। 'চ'ৰি চ'ৰি'—এজনে তাক খুন্দিয়াই তালৈ বিনয়েৰে শব্দ দুটা দলিয়াই দি গল। তাৰ অৰ্থ কি? ক্ষমা খুজিলেই পোৱা যায়? ক্ষমা সাধাৰণ বস্তু? মানুহ বোৰো যে আৰু! তাৰ খং উঠি যায়।

সি আগবাঢ়িল। "... ... ... আজি কিয়ামত চে কিয়ামত তক' চালো বে। আঃ নায়িকাৰ কি উলংগ নৃত্য! ... ... ... ...।" তাৰ কাণত পৰো-নপৰোকৈ এই শব্দ কেইটা আহি পৰিল। তামোলৰ দোকানত চিগাৰেট হুপি থকা এই লৰা কেইজনেই যে চিনেমাৰ উত্তপ্ত আলোচনা কৰি আছে তাত তাৰ সন্দেহ নাথাকিল। লৰা কেইজন হয়তো স্থানীয় কোনোবা কলেজৰ ছাত্ৰই হব। এই যে লৰাকেইটা, সিহঁতৰ কি চিনেমাৰ আলোচনাই

মুখ্য উদ্দেশ্য ! সস্তীয়া হিন্দী ছবিবোৰ চাই সিহঁতৰ উত্তাল যৌৱন পাৰ কৰি দিম বুলি ভাৱিছে নেকি ? সিহঁতৰ কোনো লক্ষ্য নাইবা বাস্তৱতাৰ মুখা মুখি হোৱাৰ জানো হাবিয়াস নাই । সিহঁতে এবাৰো উপলব্ধি কৰা নাইনে, যে নিজকে প্ৰৱঞ্চনা কৰি আছে । এবাৰো জানো অনুভৱ কৰা নাই, সিহঁতৰ পিতৃ-মাতৃয়ে কঠোৰ শ্ৰম কৰি সিহঁতক পঢ়িবলৈ দিয়া পইচা-পাতিবো মূল্য আছে ! পৰীক্ষাৰ সময়ত কেইটামান প্ৰশ্নৰ উত্তৰ মুখস্থ কৰি পাছ কৰটোৱেই মুখ্য উদ্দেশ্য হব লাগেনে ? কথাখিনি ভাবি তাৰ নিজকে বিজ্ঞৰ দৰে লাগিব । বোধহয় এইজনেই তাৰ ভিতৰৰ মানুহজন । কিন্তু পিছ মুহূৰ্ততে তাৰ এনে কথা ভবাৰ বাবে লাজো লাগিল, কাৰণ এনেদৰে ভাবিব পৰাকৈ সি জানো নিজকে উপযুক্ত কৰি তুলিব পাৰিছে । তাৰ সকলো চেষ্টাইতো ইমান দিনে অথলে গৈছে ।

সি আগবাঢ়িল । তাৰ দৃষ্টি গল ৰাষ্টাৰ দেৱাল-বো লৈ । শ্লোগানেৰে পৰিপূৰ্ণ দেৱালখন নিৰ্জীৱ নিশ্চল হৈ পৰি আছে হেজাৰ হেজাৰ স্মৃতিৰ সফুঁৰা বোকো-চাত বান্ধি । তাৰ মনত পৰিল কেইবছৰমান আগৰ সেই প্ৰতিশ্ৰুতিৰে ভৰা দিনবোৰৰ কথা । সি এইখন মহানগৰীতে অধ্যয়ণ কৰিছিল । যোগ দিছিল তেতিয়া দেশজুৰি চলি থকা গণ-আন্দোলনত । যেতিয়া ছাত্ৰ-সংগঠনৰ আহ্বানত গাওঁ-ভূই, চহৰ-নগৰৰ সকলো মানুহ মৃত্যু-পনেৰে লৌহ-কঠিন দৃঢ়তা লৈ ৰাজপথলৈ ওলাই আহিছিল, তেতিয়া সিও আহিছিল আগবাঢ়ি । সংকল্প লৈ অন্ধকাৰ নাশিম বুলি । কিন্তু সেই সঁচা স্মৃতিবোৰ এতিয়া সপোন সপোন লগা হ'ল । হেৰাই গল প্ৰতি-বাদৰ তেজাল ভাষাবোৰ । এতিয়া মাথোন আমি ইজনে সিজনক জীয়া জীয়া ফাঁকি দি জীয়াই আছো । জীয়াই থাকো ।

সি আগবাঢ়িল । 'অ'ৰে বিপ্লৱ দেখোন ?' সি কাৰোবাৰ মাতত থমকি ব'ল । ৰাস্তাৰ সিপনৰ পৰা এজন সুশ্ৰী ডেকাই তাক অনুসৰণ কৰিছে । চকুত নীলা ৰঙৰ চচমা । লগত মটৰ চাইকেল । চিনি পোৱাত অসুবিধা লাগিল । 'বিপ্লৱ, তোক চিঞৰি চিঞৰি মাতিলো কেবাবাৰো । তই কি ৰাস্তাই-ঘাটে কবিতা লিখাৰ কথাও ভাব নেকি ?' তথাপি বিপ্লৱে ঠিক চিনিব পৰা নাই । সি সুধিয়েই পেলালে—'আপোনাক চিনিব পৰা নাই ?' 'অ'ৰে বন্ধু, পাহৰিলি । জ্যোতিষ, জ্যোতিষ দাস । কলেজৰ বন্ধুবোৰক ইমান সোনকালে পাহৰিলি ? তেতিয়াহে সি ধৰিব পাৰিলে । 'ক্ষমা কৰিবি ভাই অলপ দেৰি হৈ গ'ল আৰু । হবই । হোৱাৰে কথা ; কাৰণ আগতকৈ তই বহুত শকত হলি । তাতে মস্ত গোফ একোচা ৰাখিছ । পিছে খবৰ ক ? কি কৰিছ ? দিয়া বাবু ?' 'হব, হব. সকলো কম, । বল, আগতে চাহৰ দোকানত অলপ চাহ খাই লওঁ । তাতে কথা হ'ম ।'

সি কেতিয়াবাবে পৰা চাহ একাপ খোৱাৰ আশা কৰি আছিল । কিন্তু হাতত পইচা কম থকাৰ বাবে চাহ খোৱা আশা বাদ দিছিল । এতিয়া তাৰ বন্ধুৱেই যেতিয়া তাক নিমন্ত্ৰণ কৰিছে খোৱাত আপত্তি কিহৰ ।

দু'য়া ওচৰতে থকা ৰেষ্টোৰাখনৰ দুখন 'আসন' অধিকাৰ কৰিলে । বন্ধুজনে চাহ আৰু মিঠাইৰ অৰ্ডাৰ দিলে । 'বন্ধু', জ্যোতিষে কৈ গল— 'মোৰ কথা সুধিছিল নহয় ? ঠিকা কৰিছো । বিয়া কৰোৱা নাই কিন্তু । অৱশ্যে আৰু কিছুদিন পিছতে হব, ছোৱালী চোৱা হৈ গৈছে । ছোৱালী বঙাইগাওঁৰ । নাম নীলিমা । পিছে কচোন তোৰ খবৰ ? দাড়ি—চুলি ৰাখি একেবাৰে কাৰ্লমাক্স যেন হৈ গৈছ ; কবিতা চবিতা লিখা বাদ দিলি নেকি ? কলৈ যাব ওলাইছিলি ? চাকৰি বাকৰি হ'লনে ?" জ্যোতিষে একে উশাহতে বিপ্লৱক প্ৰশ্নবোৰ সুধি গ'ল । চাহ খাই খাই বিপ্লৱে উত্তৰ দি গ'ল 'ইণ্টাৰভিউ দিবলৈ আহিছো । কিমান ইণ্টাৰভিউ দিলো কতো দেখোন আজিলৈ একো নহ'ল । অৱশ্যে

টকা অলপ দিব পাৰিলে চাকৰি হ'লহেঁতেন। কিন্তু মই সেই চৰত নাই। চাকৰিৰ লোভতে কিছুমান টকাও মোৰ নাই। মই এইবাৰ নাম কৰাই... পেট প্ৰত্যেক পাম ?" বিপ্লৱৰ কথা শেষ নৌহওঁতেই জ্যোতিয়ে আৰম্ভ কৰিলে—'তুমি বিপ্লৱ, তোমাক মোৰ পুৰণি উপদেশ ; বুদ্ধিহীন তুমি। সমাজক, বুইছ। সমাজক ঠগাবলৈ শিক। অন্যায়কৈ টকা আৰ্জিবলৈ শিকা, কোনোবা টকাই টকা। বুইছ, এইবোৰ কাম সমাজত, বহুত নিকৰা পৰা আগি কবি মানুহে নকলোৱেই ক'লা টকা নামত পাগল আছে। ভাল হৈ, সঁচা মানুহ হৈ কি কৰিবা ? প্ৰতিবাদ কৰিব পাৰিবা ? কিবা লাভ হ'ব ? আদৰ্শ এৰি দিয়া।' বিপ্লৱে লগে লগে তাৰ কথাৰ প্ৰতিবাদ কৰি উঠিল 'নাই নাই। সেই পথ মই ল'ব নোৱাৰো, মই কেৱল নিজৰ বাবেই বাচি থাকিবলৈ বিচৰা নাই। মই স্বাৰ্থপৰ হব বিচৰা নাই। বিপ্লৱে আৰু কিবা কব বিচাৰিছিল, কিন্তু জ্যোতিয়ে বহাৰ পৰা উঠি যাবলৈ ওলোৱাত আৰু একো নক'লে। 'মই যাওঁ, মোৰ এতিয়াও কাম আছে। পিছত কেতিয়াবা লগ হ'ম বাবু" বুলি কৈ জ্যোতিৰ গুচি গল অহা বাটে। মইৰ চইকেলৰ বাম্পা নোৱলৈ একান্ত মনে চাই চাই বিপ্লৱে মাথোন ভাবিলে। হয়, সমাজৰ মানুহবোৰ মলিন হ'ল মলিন হৈ গ'ল তাৰ, কলেজীয়া বন্ধু জ্যোতিৰ। তাৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল—'বহুত মলিন হলি বন্ধু ; বহুত মলিন হ'লি ; নিজৰ বাহিৰে তইঁতৰ আন কালৈকো চাবলৈ সময় নাই। সমাজখন পচি গলে এদিন তইঁত নিজেও যে পচিব লাগিব তাক পাহৰি গৈছ নেকি ?' বিপ্লৱে দুয়োজনৰে চাহ মিঠাইৰ পইচা দি ৰেষ্টোৰাৰ পৰা বিষন্ন মনে আগবাঢ়িল।

সি আগবাঢ়িল। তাক এটা চাকৰি লাগে। তাৰ চাকৰি এটাৰ বৰ প্ৰয়োজন। তাৰ চাকৰি নোহোৱা বাবে ঘৰৰ মানুহবোৰো তাৰ পৰা আঁতৰি গৈছে। বিজলী নবৌয়েকে তাৰ চুলিত হাত বুলাই টোপনি নিয়াইছিল সেইজনী নবৌয়েকে তাৰ পৰা আজি কালি আঁতৰি গৈছে। চাকৰি এটা নোহোৱাৰ বাবেই কি সিহঁত আঁতৰি গৈছে ? সামান্য এটা চাকৰিৰ বাবেই কি সি সিহঁতৰ মৰমৰ পৰা বঞ্চিত হ'ব লগা হৈছে ? তাৰ বেয়া লাগে বাৰু।

বিছুদূৰ যোৱাৰ পিছত সি তাৰ গন্তব্য স্থান পালে। ইতিমধ্যে অফিছটোৰ সন্মুখত বহুতো চাকৰি প্ৰাৰ্থীৰ সমাগম দেখি তাৰ মনটোক অনিশ্চয়তাৰ ছাঁই আবৰি ধৰিলে। তথাপি আহিছে যেতিয়া আকৌ এবাৰ নিজকে পৰীক্ষা কৰা যাওক। ইতিমধ্যে সাক্ষাৎকাৰ আৰম্ভ হোৱা বুলি এজনৰ পৰা জানিলে। সিও নীৰবে প্ৰতীক্ষা কৰি থাকিল কেতিয়া তাক আহ্বান কৰে। তিনিজন প্ৰাৰ্থীৰ সাক্ষাতৰ পিছত তাক মতা হ'ল। আগবাঢ়ি গ'ল সি। শ্বাৰ্টটো অলপ ঠিক কৰি ভিতৰলৈ সোমাই গ'ল।

ভিতৰত তিনিজন ভদ্ৰলোক তাৰ চকুত পৰিল। সি পৰ্দা দাঙি প্ৰৱেশ কৰাৰ লগে লগে গোটেই কেইজনেই তাৰ ফালে চালে। এজনে বহিব কোৱাত সি বহিল। তাৰ নাম আৰু কেইটামান আনুসংগিক প্ৰশ্নবোৰ সোধাৰ পিছত বিপ্লৱক এজনে সুধিলে - 'কওঁচোন মিঃ বিপ্লৱ, আজি দেশ প্ৰগতিৰ পথত বুলি মই ভাবো। আপুনি কেনেভাবে ?' বিপ্লৱে যেন এতিয়াহে সাৱ পালে। সি তপৰাই কৈ গ'ল—'আপুনি যি ধাৰণা কৰিছে সেয়া একেবাৰে অমূলক ; একেবাৰে ভিত্তিহীন। আমাৰ দেশ প্ৰগতিৰ পথত, এয়া একেবাৰে মিছা। দেশ আজি অন্ধকাৰৰ পৰা এনে এক অন্ধকাৰলৈ গতি কৰিছে য'ত হিংসা, ফাকি, অন্যায়ে ঠাই খাই আছে। দুৰ্নীতি অবাধে চলি আছে, চলিব লাগিছে। যিখন দেশত খাদ্যৰ অভাৱত, বানপানীৰ কবালগ্ৰাসত হেজাৰ হেজাৰ মানুহ মৰিব লাগিছে সেইখন দেশ প্ৰগতিৰ পথত বুলি কবলৈ মোৰ নৈতিক সাহস নাই।' বিপ্লৱে এক প্ৰকাৰ চমু বক্তৃতা এটাই দি দিলে। সি যে চাকৰি প্ৰাৰ্থীহে, তাৰ্কিক নহয় এই কথা সি পাহৰি

য়েই গৈছিল । আদৰ্শৰ ৰোগটিয়ে তাকো এবাৰ উত্তৰ দিলে । কৈ গ'ল—' এয়'ও আপোনালোকৰ এক কপটালি । আমাৰ দেশ প্ৰগতিৰ পথত বুলি কোৱা আপোনালোকেই দুৰ্নীতি, অন্যায় কৰি আছে । ধন লৈ আপোনালোকে বহুতক চাকৰি দিয়া নাই নে ?' ... ... ...
'বন্ধ কৰক আপোনাৰ বক্তৃতা । আপুনি এতিয়া যাব পৰে ।'

'এতিয়া মই যাব লাগে । স'চা কথাবোৰ শুনিবলৈ ভাল নালাগে । কাৰণ আপোনালোকে অন্যায়, অসত্যৰ মাজত থাকি, ন্যায়, সত্যৰ, কথা কবলৈ, শুনিবলৈ পাহৰি গৈছে, শুনিলে নুশুনা কথা যেন লাগে । লাগিবই । লাগিবৰে কথা ।" সি কৈ বাহিৰলৈ ওলাই আহিল ।

সি এতিয়া আৰু নিশ্চিত যে এইটো চাকৰি আৰু তাৰ ভাগ্যত নাই । গালে মুখে বিৰিঙি উঠা ঘামবোৰ মচি ল'লে । সি অফিচৰ বাৰান্দাইদি ৰাজপথ ওলাল ।

তাৰ মনটো পাতল পাতল লাগিল । বিতৃষ্ণা জন্মিল এনেদৰে অফিচে অফিচে চাকৰি বিচাৰি ঘূৰি ফুৰা কামটোত । তাৰ মনত পৰিল তাৰ গাঁৱৰে হৰিহৰ পণ্ডিতে কোৱা এষাৰ কথা—' বিপ্লৱ তই এনেদৰে চাকৰি বিচাৰি ঘুৰি ফুৰাটো মই অকণো পচন্দ নকৰো অ' । তোৰ ভাল হ'ক : তই সুখী হ' তাকেই আমি কামনা কৰো । আমাৰ গাঁৱত এখন হাইস্কুলৰ বৰ প্ৰয়োজন । লৰা-ছোৱালীবোৰ দুৰৈৰ স্কুলত গৈ পঢ়িব লগা হৈ আছে । সেয়ে মই ভাবিছো তোৰ দৰে শিক্ষিত ডেকা কেইটামানে লগ লাগি এখন স্কুল আৰম্ভ কৰ । এজন আদৰ্শবান শিক্ষক হ' । আৰু দেখিবি এদিন কৃতকাৰ্য হবিয়েই । মাথোন লাগে ধৈৰ্য, নিষ্ঠা আৰু একাগ্ৰতা ।"

সি এদিন এইখিনি কথা হাঁহিৰে উৰুৱাই দিছিল স'চা, কিন্তু আজি নোৱাৰে । সি উপলব্ধি কৰিলে সময়ৰ অপব্যৱহাৰ কৰি আছে সি । সি ঠিৰাং কৰিলে হৰিহৰ পণ্ডিতে কোৱা কথাষাৰ কাৰ্যত পৰিণত কৰিবলৈ দেশখন ভাল কৰিব নোৱাৰিলেও অন্ততঃ গাঁওখন আৰু উঠি অহা চামক সুপথে পৰিচালিত কৰিব পাৰিব সি । কথাষাৰ ভাবি তাৰ মনটো ভাল লাগি গ'ল । আনন্দ লাগিল নতুন কিবা এটা কৰাৰ আশাত ।

সি আগবাঢ়িল গাঁৱলৈ যোৱা বাছখনলৈ । আৰু এটা সময়ত মহানগৰীৰ ভীৰৰ মাজত সি সোমাই নেদেখা হৈ পৰিল । × × ×

# ৰূপালী জয়ন্তী আৰু নেহৰু শতবাৰ্ষিকী
## অধ্যক্ষৰ আদৰণি ভাষণ

শ্ৰদ্ধেয় সভাপতি মহোদয়, সন্মানীয় অতিথিবৃন্দ, সমবেত ৰাইজ আৰু আইসকল, আদৰণীয় শিক্ষক-শিক্ষয়িত্ৰী অৰু এই মহাবিদ্যালয়ৰ অতীত আৰু বৰ্তমানৰ মৰমৰ ছাত্ৰ-ছাত্ৰীবৃন্দ।

জয়জয়তে আপোনাসৱলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিছো আৰু এই মহাবিদালয়ৰ ৰূপালী জয়ন্তী আৰু জৱাহৰলাল নেহৰু জন্ম-শত-বাৰ্ষিকী মহোৎসৱৰ আজিৰ উদ্বোধনী সভালৈ আপোনাসবক আদৰণি জনাবলৈ পাই পৰমানন্দিত হৈছো।

বকো দক্ষিণ-পশ্চিম কামৰূপৰ এটি জনজাতি প্ৰধান অঞ্চল। বনজ সম্পদেৰে চহকী অথচ শিক্ষা আৰু আৰ্থিক বিষয়ত পিছপৰা এই অঞ্চলৰ গৰীব আৰু অনুন্নত জনসাধাৰণৰ উচ্চশিক্ষাৰ সুবিধাৰ্থে স্বৰ্গীয় প্ৰবীণ কুমাৰ চৌধুৰীৰ নেতৃত্বত আৰু স্থানীয় ৰাইজৰ সহযোগত ১৯৬৪ চনত ইয়াত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰা হয় আৰু স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী প্ৰয়াত নেতা জৱাহৰলাল নেহৰুৰ সোৱৰণত ইয়াৰ নাম 'জৱাহৰলাল নেহৰু মহাবিদ্যালয়' ৰখা হয়। অতি আনন্দৰ কথা যে আমাৰ মহাবিদ্যালয়ৰ ২৫ বছৰ পূৰ্ণ হোৱা বছৰতে বিশ্ববৰেণ্য নেতাগৰাকীৰ জন্ম শতাব্দীও পৰিছে। সেয়েহে মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী আৰু নেহৰু শতবাৰ্ষিকী সমাৰোহ আজিৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ আয়োজন কৰা হৈছে। ৰূপালী জয়ন্তীৰ এই শুভক্ষণত সৰ্বপ্ৰথমে আমাৰ মনলৈ আহিছে স্বৰ্গীয় প্ৰবীণ কুমাৰ চৌধুৰীদেৱৰ স্মৃতি। এইগৰাকী সৰ্বজনপ্ৰিয় নেতাৰ অক্লান্ত পৰিশ্ৰম আৰু অশেষ ধৈৰ্য্যশীল চেষ্টাৰ ফলত এই মহাবিদ্যালয়ে মাত্ৰ ৭২ জন ছাত্ৰ-ছাত্ৰীৰে ১৯৬৯ চনৰ ১লা চেপ্তেম্বৰৰ পৰা ঘাটিমঞ্জুৰী লাভ কৰিবলৈ সমৰ্থ হয় আৰু আসন্ন মৃত্যুৰ পৰা ৰক্ষা পৰে। আমি তেখেতৰ অতুলনীয় অৱদানৰ কথা পৰম শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু স্বৰ্গত আত্মাৰ সদগতি কামনা কৰিছোঁ। লগতে আন যিসকল ব্যক্তিয়ে দান-বৰঙণিৰে এই মহাবিদ্যালয় প্ৰতিষ্ঠাত সহায়-সহযোগ আগবঢ়াইছিল, কিন্তু আজি আৰু ইহসংসাৰত নাই সেইসকল ব্যক্তিলৈও আমাৰ শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

আকৌ, বহুতো ব্যক্তিয়ে প্ৰতিষ্ঠা দিনৰে পৰা আজিলৈকে কোপতি প্ৰত্যক্ষ বা পৰোক্ষভাৱে মহাবিদ্যালয় খনৰ শ্ৰীবৃদ্ধিৰ বাবে সহায়-সহযোগ আগবঢ়াই আহিছে। এইসকলৰ ভিতৰত আশীৰ দেওনা অতিক্ৰান্ত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক আৰু বৰ্তমানৰ পৰিচালনা সমিতিৰ সভাপতি পৰম শ্ৰদ্ধেয় শ্ৰীঅচ্যুত কান্ত অধিকাৰীদেৱ আৰু মুক্তিযোদ্ধা, প্ৰতিষ্ঠাপক সহকাৰী সম্পাদক আৰু বৰ্তমান পৰিচালনা সমিতিৰ সদস্য আৰু আজীৱন সমাজ সেৱী শ্ৰীজনাৰ্দন শৰ্মাদেৱৰ নাম বিশেষভাৱে উল্লেখনীয়। এখেতসকল দুয়োগৰাকীৰ লগতে আনসকলো সহযোগী ব্যক্তিলৈকো আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ আদিছোৱাত বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা স্নাতক-মহলা পৰ্যন্ত স্বীকৃতি প্ৰদান বিষয়ত

তদানীন্তন উপাচাৰ্য ডঃ মথুৰা নাথ গোস্বামীদেৱ, পঞ্জীয়ক শ্ৰীযুত চিদানন্দ দাসদেৱ আৰু চৰকাৰী অনুদান আৰু ঘাটিমঞ্জুৰী লাভ কৰা ক্ষেত্ৰত অসমৰ প্ৰয়াত মুখ্যমন্ত্ৰীদ্বয় ৺বিমলা প্ৰসাদ চলিহাদেৱ আৰু ৺মহেন্দ্ৰমোহন চৌধুৰীদেৱ, সেই সময়ৰ শিক্ষামন্ত্ৰী চৈয়দ আহমেদ আলি ডাঙৰীয়া আৰু শিক্ষাধিকৰ্তা শ্ৰীসুৰেশ চন্দ্ৰ ৰাজখোৱাদেৱৰ শুভদৃষ্টি আৰু সহানুভূতি আমি চিৰদিন কৃতজ্ঞতাৰে সুঁৱৰিম।

১৯৬৫ চনৰ ১লা চেপ্তেম্বৰত স্বৰ্গীয় প্ৰবীণ কুমাৰ চৌধুৰীদেৱৰ আহ্বানত অসমৰ শীৰ্ষস্থানীয় চৰকাৰী মহাবিদ্যালয় কটন কলেজৰ অধ্যাপকৰ পদ ইস্তফা দি এই মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে এই অভাজনে যোগদান কৰে। তেতিয়াৰে পৰা বহুতো ঘাট-প্ৰতিঘাতৰ মাজেৰে, নানা প্ৰতিকূল অৱস্থাৰ সন্মুখীন হৈ দলীয় ৰাজনীতিৰ উৰ্দ্ধত থাকি বিগত ২৪ বছৰৰ ওপৰ কাল ধৰি আমি অধ্যক্ষৰ গুৰুদায়িত্ব বহন কৰি আহিছো। অনেক সময়ত উজুটি খাইছে, কেতিয়াবা থমকি বৈছো, কেতিয়াবা গতি মন্থৰ হৈছে ; কিন্তু সাহস আৰু ধৈৰ্যক সাৰথি কৰি জয়যাত্ৰা অব্যাহত ৰাখিছো , লক্ষ্য জৱাহৰলাল নেহৰু মহাবিদ্যালয়ক দেশৰ ভিতৰতে এখন আগশাৰীৰ মহাবিদ্যালয়ৰূপে গঢ় দিয়া। একক প্ৰচেষ্টাৰে এই লক্ষ্যত উপনীত হোৱা সম্ভৱ নহয়। তাৰ বাবে লাগিব পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ অকুণ্ঠ সহযোগ, বিশ্ববিদ্যালয় আৰু চৰকাৰৰ সহানুভূতি আৰু শুভদৃষ্টি।

ৰকোৰ দৰে পিছপৰা অঞ্চলত কলেজ স্থাপনৰ উদ্দেশ্য আছিল গাঁৱৰ গৰীব জনসাধাৰণৰ লৰা-ছোৱালীক গাঁৱতে উচ্চশিক্ষাৰ সুবিধা দিয়া আৰু উচ্চশিক্ষাৰ নামত চহৰমুখী জনস্ৰোত বন্ধ কৰা ; বিভিন্ন গোষ্ঠী আৰু সম্প্ৰদায়ৰ মাজত সমন্বয়, সম্প্ৰীতি আৰু ঐক্যস্থাপন কৰা ; অঞ্চলটোৰ আৰ্থ-সামাজিক, সাংস্কৃতিক দিশবোৰ অধ্যয়ণ আৰু গৱেষণা কৰি অঞ্চলটোৰ সমস্যাৰাজিৰ সমাধানৰ ইংগিত দিয়া। যোৱা ২৫ বছৰে এনেবোৰ উদ্দেশ্য আগত ৰাখি শিক্ষানুষ্ঠানখন আগবঢ়াই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই। সম্পূৰ্ণ সফলতাৰ দাবী কৰিব নোৱাৰিলেও আংশিকভাবে হলেও যে সফল হৈছো তাত সন্দেহ নাই। এই মহাবিদ্যালয়ৰ পৰা শিক্ষা লাভ কৰি ওলাই যোৱা ছাত্ৰ-ছাত্ৰীসকলে এই অঞ্চলৰ প্ৰাথমিক স্তৰৰ পৰা উচ্চমাধ্যমিক স্তৰ পৰ্যন্ত শিক্ষানুষ্ঠানবোৰত শিক্ষক-শিক্ষয়িত্ৰী হিচাবে সেৱা আগবঢ়াই শিক্ষাৰ অগ্ৰগতিত প্ৰভুত অৰিহণা আগবঢ়াবলৈ সমৰ্থ হৈছে। তাৰোপৰি প্ৰতিৰক্ষা, প্ৰশাসন, ডাক তাঁৰ, বেংক ইত্যাদি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগত আমাৰ ছাত্ৰ-ছাত্ৰীয়ে সেৱা কৰি আছে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে বানপানী আদি প্ৰাকৃতিক দুৰ্যোগৰ সময়ত উদ্ধাৰ আৰু সাহায্যকামত ব্ৰতী হৈ আৰু ৰাস্তাঘাট মেৰামতি আৰু নিৰ্মাণ কৰি অঞ্চলবাসী ৰাইজৰ ভুয়সী প্ৰশংসা লাভ কৰি মহাবিদ্যালয়ৰ গৌৰৱ বঢ়াইছে। সঙ্গীত আৰু ক্ৰীড়া বিষয়তো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বিশেষ কৃতিত্ব লাভ কৰিবলৈ সমৰ্থ হৈছে।

একুৰি পাচ বছৰ এটা অনুষ্ঠানৰ জীৱনত বৰ বেছি দীঘলীয়া সময় নহয়। মাত্ৰ ৬০ জন ছাত্ৰ-ছাত্ৰী, ৩ জন শিক্ষক, ১ জন অংশকালীন কাৰ্যালয় সহায়ক আৰু ২ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰে আৰম্ভ হোৱা কলেজখনৰ কলেৱৰ বৃদ্ধিহৈ বৰ্তমান ৯০১ জন ছাত্ৰ-ছাত্ৰী ২৯ জন শিক্ষক-শিক্ষয়িত্ৰী, ৩ জন কাৰ্যালয় সহায়ক, ১ জন পুথিভঁৰালী, ৭ জন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীলৈ সংখ্যা বৃদ্ধি হৈছে। বৰ্তমানে কলাবিভাগত ৯টা স্নাতক সাধাৰণ আৰু ২টা প্ৰধান বিষয়ত শিক্ষাদান কৰাৰ উপৰিও ১৯৮৬ চনৰ শিক্ষা বছৰৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যায়ত বিজ্ঞানৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হৈছে। কলা বিভাগটো ঘাটি মঞ্জুৰীৰ অন্তৰ্ভুক্ত যদিও বিজ্ঞান বিভাগৰ বাবে চৰকাৰৰ পৰা কোনো অনুদান নোপোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হবলগা হৈছে। অনতিপলমে

চৰকাৰী সাহায্য নাপালে হয়তো বিজ্ঞান শাখাটোৰ অপমৃত্যু হব পাৰে।

আমাৰ অভাব অভিযোগৰ দীঘলীয়া তালিকাৰে আজিৰ অনুষ্ঠানৰ সৌষ্ঠৱ নষ্ট কৰিব খোজা নাই। তথাপি অতি আৱশ্যকীয় দুটিমান অভাৱৰ কথা নকলে দোষে চুব বুলি চৰকাৰৰ দৃষ্টি আকৰ্ষণৰ উদ্দেশ্যে উল্লেখ কৰিলো। শ্ৰেণী কোঠাৰ উপৰিও এটি প্ৰেক্ষাগৃহ, ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ সুকীয়া অধ্যয়ণকক্ষ সমন্বিতে পুথিভঁৰাল ঘৰ আৰু জিৰণি কক্ষৰ অভাৱ বাবুকৈয়ে অনুভৱ কৰি অহা হৈছে। মহাবিদ্যালয়ৰ সীমিত আয়েৰে এইবোৰ অভাৱ অদূৰ ভৱিষ্যতে পূৰণ কৰিব পৰাটো সম্ভৱ নহব। সেয়েহে বিশেষ বিবেচনাৰে প্ৰয়োজনীয় অৰ্থসাহায্য আগবঢ়াবলৈ ৰাজ্য চৰকাৰৰ ওচৰত অনুৰোধ জনালোঁ।

আহক, ৰূপালী জয়ন্তীৰ এই শুভক্ষণত এই মহাবিদ্যালয়ৰ প্ৰশাসন, পৰিচালনা আৰু শিক্ষাদানত ব্ৰতী সকলো ব্যক্তি, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীয়ে সংকল্প গ্ৰহণ কৰো যে আমি সকলোৱে মিলি ইয়াক এখন আদৰ্শ শিক্ষানুষ্ঠানৰূপে গঢ়ি তুলিম—যত গতানুগতিক শিক্ষা দানৰ উপৰিও দেশ-বিদেশৰ জ্ঞান-বিজ্ঞানৰ চৰ্চা, চিন্তা আৰু গৱেষণা অব্যাহত ভাৱে চলিব; য'ত জাতি-ধৰ্ম ভাষা-সম্প্ৰদায়ৰ ভিত্তিত কোনো প্ৰকাৰ ভেদভাব নাথাকিব; য'ত দলীয় ৰাজনীতিৰ প্ৰবেশে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা মিলাপ্ৰীতি বিনষ্ট কৰিব নোৱাৰিব; য'ত শোষণমুক্ত উচ্চ-নীচৰ ভাব বৰ্জিত ধৰ্মনিৰপেক্ষ সমাজবাদী গণতন্ত্ৰৰ আদৰ্শৰে উদ্বুদ্ধ হৈ ছাত্ৰ-ছাত্ৰী অনুষ্ঠানিক শিক্ষালাভৰ পিছত ব্যক্তি আৰু সমাজ জীৱনলৈ ওলাই আহিব। আমি জানো আমাৰ সংকল্প বাস্তৱত ৰূপায়িত কৰা সহজসাধ্য নহয়; কিন্তু আমাৰ দৃঢ়বিশ্বাস যে চেষ্টা অব্যাহত থাকিলে সিদ্ধি অনিবাৰ্য।

সদৌ শেষত আপোনালোক যিসকলে আজিৰ এই উদ্বোধনী সভাত উপস্থিত হৈ আমাক উৎসাহ আৰু অনুপ্ৰেৰণা দিলে, যিসকলে অক্লান্ত পৰিশ্ৰম, দান বৰঙণি দিহা-পৰামৰ্শ আৰু সহায়-সহযোগেৰে ৰূপালী জয়ন্তী আৰু নেহৰু শতবাৰ্ষিকী সমাৰোহৰ প্ৰস্তুতি সাফল্যমণ্ডিত কৰিলে সেই সকলো ব্যক্তিলৈ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা আৰু আমাৰ নিজাৰবীয়াকৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আশাকৰো সমাৰোহৰ বাকীকেইদিনৰ সকলো কাৰ্যসূচীতে আপোনালোকে যোগদান কৰি আমাক কৃতাৰ্থ কৰিব।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়। *

শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ

বকো। অধ্যক্ষ আৰু সম্পাদক

১৪ নৱেম্বৰ, ১৯৮৯ ৰূপালী জয়ন্তী আৰু

নেহৰু শতবাৰ্ষিকী উদ্‌যাপন সমিতি,

**জৱাহৰলাল নেহৰু মহাবিদ্যালয়।**

* পুনৰ মুদ্ৰিত- *



# প্ৰবন্ধ


| | |
|---|---|
| অসমীয়া জাতিৰ জনক শংকৰদেৱ | : ১ : |
| নাট্যকাৰ জ্যোতিপ্ৰসাদ | : ৪ : |
| ৰাভা সমাজ আৰু সংস্কৃতিৰ চমু আভাস | : ৭ : |
| ৰঘুনাথ চৌধাৰী আৰু তেওঁৰ কবিতা | : ৯ : |
| বৰগীতত ধ্ৰুপদী সংগীতৰ বৈশিষ্ট্য | : ১৪ : |
| পূজা-পাৰ্বনত লোক সংস্কৃতিৰ প্ৰভাৱ | : ১৭ : |
| বিহঙ্গম দৃষ্টিত জ্যোতি-সংগীত | : ২১ : |



* ডা. বামন
* অতুল চন্দ্ৰ দাস
* দিগন্ত কুমাৰ ৰাভা
* যতীন মেধি
* কমলেশ্বৰ ঠাকুৰীয়া
* ভবেশ চন্দ্ৰ গোস্বামী
* জয়ন্ত কুমাৰ কলিতা

# অসমীয়া জাতিৰ জনক শঙ্কৰদেৱ

ভবা বায়ন
১ম বাৰ্ষিক, স্নাতক মহলা

অসমব ধৰ্ম্ম, সমাজ, সাহিত্য আৰু সংস্কৃতিব দিশত দি যোৱা অতুলনীয় অৱদানৰ বাবে মহাপুৰুষ শংকবদেৱক অসমীয়া জাতিব জনক বুলি অভিহিত কৰা হয়। শংকৰদেৱে সংস্কৃতি আৰু সমাজ চৰ্চাৰ মাজেৰে নৱমূল্যায় কৰি এক নৱজাগৰণৰ সৃষ্টি কৰে। অসমত এই নৱজাগৰণ সৃষ্টিৰ ক্ষেত্ৰত তেওঁ কিয় আগভাগ ল'লে তাৰ পটভূমিৰ বিষয়ে দুই-এটা কথা আলোচনা কৰাৰ প্ৰয়োজন হয়।

ভাষাবিদ্ পাণ্ডিত সকলৰ মতে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰাই ক্ৰম-বিবৰ্তনাৰ মাজেৰে আহি আহি দশম-একাদশ শতিকামানত অসমীয়া ভাষাই নিজস্ব ৰূপ পৰিগ্ৰহ কৰে। অৱশ্যে আৰ্য-ভাষাৰ পৰা ওলালেও অসমীয়া ভাষাৰ ওপৰত অতীতৰ পৰা বাস কৰা থলুৱা অনাৰ্য গোষ্ঠীসমূহৰ ভাষাৰ প্ৰভাৱ যথেষ্ট। নদীৰ নাম, ঠাইৰ নাম, ধন্যাত্মক শব্দ আৰু ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰা অনেক শব্দ অনাৰ্য ভাষাৰ পৰা অহা বুলি প্ৰমাণিত হৈছে।

অসমীয়া ভাষাই দশম-একাদশ শতিকামানত নিজা ৰূপ ললেও খৃষ্টীয় চতুৰ্দশ শতিকাৰ আগৰ লিখিত অসমীয়া সাহিত্যৰ ৰূপ এতিয়ালৈকে পোৱা হোৱা নাই। স্বাভাবিকতে প্ৰশ্ন হয়,—অসমীয়া ভাষাই নিজস্ব ৰূপ লোৱাৰে পৰা চতুৰ্দশ শতিকালৈ এই ধৰণৰ কালছোৱাত কোনো লিখিত সাহিত্য সৃষ্টি হোৱা নাছিল নেকি? লিখিত সাহিত্য সৃষ্টি হৈছিল যদিও নানা কাৰণত সিবোৰ নষ্ট পালে। সাহিত্যৰ বুৰঞ্জীবিদ সকলে এই তিনি-চাৰিশ বছৰৰ অসমীয়া লিখিত সাহিত্যৰ নিদৰ্শন হিচাপে বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা চৰ্যাপদ সমূহলৈ আঙুলিয়াইছে। এই চৰ্যাপদবোৰ অষ্টম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত ৰচিত হোৱা বুলি ধাৰণা কৰা হৈছে। অৱশ্যে এই চৰ্যাপদবোৰত একে মূলৰ পৰা ওলোৱা প্ৰাচীন অসমীয়া আৰু বঙালীভাষাৰ সাদৃশ্য পৰিলক্ষিত হয় বুলি ডঃ কাকতিয়ে মন্তব্য কৰি গৈছে।

প্ৰকৃতাৰ্থত অসমীয়া লিখিত সাহিত্যৰ পৰম্পৰাই গঢ় লয় খৃষ্টীয় চতুৰ্দশ শতিকাত। এই শতিকাত হেম সৰস্বতী, ৰুদ্ৰ কন্দলী, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আৰু অপ্ৰমাদী কবি মাধৱ কন্দলীৰ উদ্ভৱ হয়। এই-সকল কবিয়ে বিশেষকৈ ৰামায়ণ, মহাভাৰত আৰু আন দুই-এখন পুৰাণৰ পৰা তেওঁলোকৰ সাহিত্যৰ বিষয়-বস্তু আহৰণ কৰিছিল। তেওঁলোকে লোকৰঞ্জনক মুখ্য উদ্দেশ্য কৰি সাহিত্য সৃষ্টি কৰিছিল। মূল গ্ৰন্থবোৰ হিন্দু ধৰ্ম-সম্বন্ধীয় হোৱাত ঠাই বিশেষে ধৰ্মীয় কথায়ো ঠাই পাইছে যদিও এওঁলোকৰ ৰচনাৰাজিৰ উদ্দেশ্য ধৰ্ম প্ৰচাৰ কৰাটো নাছিল—আৰু সাহিত্যয়ো এটা আন্দোলনৰ ৰূপ লোৱা নাছিল।

চতুৰ্দশ শতিকাৰ পিছত আৰু অসমীয়া সাহিত্যই প্ৰগতি বোৱা নাই। এই শতিকাৰ সাহিত্যৰ আত ধৰি অসমীয়া সাহিত্যই গতি কৰে। পঞ্চদশ শতিকাৰ শেষৰ ফালে মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্যই বিশেষ বিস্তৃতি লাভ কৰে। মহাপুৰুষৰ আবিৰ্ভাবৰ সময়ছোৱাত অসমত বহু উপভাষা, নানা ধৰ্ম, আচাৰ-পদ্ধতি প্ৰচলিত আছিল। নানা বিশৃংখলতা, ভ্ৰষ্টাচাৰ আৰু কু-সংস্কাৰে সমাজ-জীৱনক অসুস্থ কৰি তুলিছিল। বিশেষকৈ বৰ্ণভেদ আৰু ধৰ্মৰ ক্ষেত্ৰত নানা দেৱ-দেৱীৰ ব্যয়বহুল উপাসনা আৰু আচাৰ পদ্ধতিয়ে হিন্দু ধৰ্মৰ সনাতন ৰূপটোক ঢাকি ৰাখি সাধাৰণ মানুহক আধ্যাত্মিক চিন্তা-চৰ্চাৰ পৰা বঞ্চিত কৰি ৰাখিছিল। দূৰদৃষ্টি-সম্পন্ন উদাৰ মনৰ পুৰুষ শঙ্কৰদেৱে এই দুৰৱস্থাবোৰৰ কথা লক্ষ্য কৰি সৰ্বসাধাৰণ মানুহৰ সন্মুখত সনাতন হিন্দু ধৰ্মৰ প্ৰকৃত তত্ত্ব দাঙি ধৰিবলৈ মনস্থ কৰে। তেওঁ অনুভৱ কৰে যে, নানা মতাৱলম্বী মানুহৰ মাজত ঐক্য, সম্প্ৰীতি আৰু আধ্যাত্মিক সাম্যৰ ভাব জগাই তুলিবলৈ হ'লে এটা মাথো ধৰ্মীয় আদৰ্শৰ প্ৰয়োজন। তেওঁৰ মতে সহজ-সৰল বৈষ্ণৱ ধৰ্মীয় আদৰ্শই ভেদ-ভাৱত আকু ডুৱ গৈ থকা লৰক-ফৰক অসমীয়া সমাজখনক সুস্থ কৰি তুলিব পাৰিব। এই আদৰ্শ আগত ৰাখি শঙ্কৰদেৱে সনাতন হিন্দুধৰ্মৰ তত্ত্বমূলক গ্ৰন্থবোৰ সহজ-সৰল-সৰস ৰূপত অসমীয়া ভাষালৈ অনুবাদ কৰিবলৈ ললে। জনসাধাৰণৰ শ্ৰৱণ-কীৰ্ত্তন-দৰ্শনৰ সুবিধাৰ বাবে শঙ্কৰদেৱে কাব্য, গীত, ভটিমা, নাট ৰচনা কৰিলে। একেপাত কাড়েৰে দুটি চিকাৰ। সামাজিক মৰ্যদা নোহোৱাৰ কাৰণে আধ্যাত্মিক মৰ্যদা হেৰুৱা সমাজৰ গৰিষ্ঠসংখ্যক মানুহে শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ আন্দোলনত সামাজিক আৰু আধ্যাত্মিক মুক্তিৰ সন্ধান পাই উল্লাসিত হৈ উঠিল। ধৰ্ম আচৰণৰ ক্ষেত্ৰত কাছাড়ী-পাইক, ডা-ডাঙৰীয়া যে সকলো সমান এই কথা প্ৰচাৰ কৰি শঙ্কৰদেৱে সামাজিক সাম্য-ভাৱৰ আদৰ্শৰে উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰিছে।

শঙ্কৰদেৱে চতুৰ্দশ শতিকাৰ কবিসকলৰ দৰে কেৱল লোকৰঞ্জনৰ বাবে সাহিত্য ৰচনা কৰা নাছিল যদিও, তেওঁৰ বিপুল সৃষ্টিয়ে আধ্যাত্মিক শিক্ষা দিয়াৰ উপৰিও লোকমনক আলোড়িত কৰিবলৈ, ৰোমাঞ্চিত কৰিবলৈ সক্ষম হ'ল। বিশেষ এটা আদৰ্শ প্ৰচাৰ কৰিবলৈ, গৈয়ো উপাদেয় সাহিত্য সৃষ্টি কৰিব পৰাতেই শঙ্কৰদেৱৰ বিৰল কৃতিত্ব আৰু মহত্ব প্ৰকাশ পাইছে।

শংকৰদেৱৰ সাহিত্যত সৰ্বসাধৰণ মানুহৰ সুখ-দুখ, আশা-আকাংখা ৰূপায়িত হোৱা নাই বুলি অভিযোগ কৰা হয়। সাধাৰণতে মৌলিক গ্ৰন্থতহে ব্যক্তিৰ সুখ-দুখ, আশা-আকাংখা আৰু সমাজৰ প্ৰতিচ্ছবি তুলি ধৰাৰ প্ৰচুৰ অৱকাশ থাকে। অসমীয়া বৈষ্ণৱ গ্ৰন্থৰাজি বিশেষকৈ সংস্কৃতৰ পৰা অনুদিত হোৱা বাবে অসমীয়া সমাজৰ স্বাভাৱিক চিত্ৰৰ প্ৰতিফলন দুৰ্বল হোৱাটোত আচৰিত হ'বলগীয়া নাই। কিন্তু তৎসত্বেও তেওঁ 'যতেই সুবিধা পাইছে সংস্কৃত মূলৰ কাহিনীক অসমীয়া সাঁচত পেলাই অসমীয়া জীৱনৰ চিত্ৰ অ'কাৰ সফল প্ৰয়াস কৰিছে। এই দিশত তেওঁৰ 'ৰুক্মিণী হৰণ' কাব্যলৈ আঙুলিয়াব পাৰি।

এহো বাহ্য। বিশৃংখল জাতি এটাক একেডালি সূতাৰে বান্ধিবলৈ শংকৰদেৱে অকল বৈষ্ণৱ গ্ৰন্থসমূহৰ অনুবাদতেই নিজক সীমাবদ্ধ কৰি ৰখা নাছিল। অসমীয়া জাতিটোক মহিমা-মণ্ডিত ৰূপত সজাব-পৰাব লাগিলে সংস্কৃতি সম্পন্নও কৰি তুলিব লাগিব। নৃত্য, গীত, অভিনয় সংস্কৃতিৰ অপৰিহাৰ্য আহিলা। এইবোৰ অৱসৰ বিনোদনৰ আহিলা হোৱাৰ উপৰিও জাতিৰ সংস্কৃতিক জীৱনক বৈচিত্ৰময় কৰি তোলে। নাট, গীত, অভিনয় কলাৰ জৰিয়তে মানুহক বিমল আনন্দ দি সাংস্কৃতিৱান কৰি তোলাৰ প্ৰয়াস কৰিছিল মহাপুৰুষজনাই। তেও' অতীজৰে পৰা প্ৰচলিত ওজাপালি, নৃত্য, অভিনয়, পুতলানাচ আদিৰ সমাহাৰত পূৰ্ণাঙ্গ নাট-ভাওনাৰ সৃষ্টি

কৰি প্ৰভাৱশালী কলাকাৰৰ পৰিচয় দিব পাৰিছিল।

শংকৰদেৱৰ অংকীয়া নাটসমূহ অকল সাহিত্যই নহয়, নাটকীয় ৰীতি আৰু পদ্ধতিৰ ফালৰ পৰাও ই একক আৰু অতুলনীয়। মৌ-মাখিয়ে বিভিন্ন ঠাইৰ পৰা বিভিন্ন ফুলৰ মৌ-ৰস আহৰণ কৰি মৌ চাক তৈয়াৰ কৰাৰ দৰে মহাপুৰুষে দীৰ্ঘদিনৰ দেশ ভ্ৰমণৰ অভিজ্ঞতাৰে সৰ্বভাৰতীয় সকলো উপায়ে উপাদান গোটাই নিজৰ কৰিলৈ অসমীয়া জাতিক ভাওনা অনুষ্ঠানৰ অনবদ্য উপহাৰ দি গ'ল। মহান সৃষ্টি ভাওনাৰ মাজত অসমীয়া জাতিৰ সৌন্দৰ্যবোধ, চিন্তাৰ উৎবৰ্বতা সোমাই আছে।

নাট ভাওনা অনুষ্ঠানৰ সৃষ্টি কৰিলেইতো নহ'ব। এইবোৰ অনুষ্ঠিত কৰিবৰলৈ উপযোগী ব্যৱস্থাপন বা প্ৰয়োজন। মহাপুৰুষে এই বিষয়েও কাৰ্য-কৰী ব্যৱস্থা গ্ৰহণ কৰিছিল। ফলস্বৰূপে সৃষ্টি হৈছিল নামঘৰৰ। সামাজিক আৰু সাংস্কৃতিক দিশত লেখত লবলগীয়া দান হ'ল নামঘৰ। নাট মেলিবৰ বাবে নামঘৰ হ'ল জাতীয় ৰঙ্গমঞ্চ। সামাজিক সাম্যৰ বৰপীৰা হ'ল নামঘৰ। নামঘৰত সম্প্ৰদায় নিৰ্বিশেষে ধনী, দুখীয়া সকলো প্ৰবেশ অধিকাৰ আছে। ভাওনাত অংশগ্ৰহণ কৰাৰ ক্ষেত্ৰতো ধনী-দুখীয়াৰ বাচ-বিচাৰ নাই। নৃত্য, গীত, অভিনয়ত প্ৰতিভা থকা যিকোনো লোকেই ভাওনাৰ বিভিন্ন ভাওত অংশগ্ৰহণ কৰিব পাৰে। আধ্যাত্মিক চিন্তা চৰ্চা আৰু নাট অভিনয় আদিৰ উপৰিও সমাজত সংঘটিত সকলো বাদ-বিসম্বাদ মিমাংসা কৰাৰ বিচাৰ লয়া স্বৰূপ হৈ পৰিছিল এই নামঘৰৰ প্ৰাঙ্গণ। নামঘৰৰ কাৰ্যপ্ৰণালীৰ যোগেদি গণতান্ত্ৰিক চিন্তাধাৰাই অসমত গা-কৰি উঠিছিল।

সাম্প্ৰতিক কালত অসমৰ অ'ত ত'ত মহাপুৰুষজনাৰ বিশাল সৃষ্টিশীল প্ৰতিভাক কটাক্ষ কৰাৰ প্ৰৱণতা এটা পৰিলক্ষিত হৈছে। শঙ্কৰদেৱৰ সম্যক বিচাৰ-বিশ্লেষণ কৰিবলৈ লওঁতে পাচ-শ বছৰৰ আগৰ অসমৰ ৰাজনৈতিক, সামাজিক, আধ্যাত্মিক, সাংস্কৃতিক আদি দিশৰ কথা মনত ৰাখিব লাগিব। মনত ৰাখিলে বিচাৰ বস্তুনিষ্ঠ নোহোৱাৰ অৱকাশ থাকে। অস্বীকাৰ কৰাৰ উপায় নাই, মহাপুৰুষ জনাই তেওঁৰ বিশাল সৃষ্টিশীল প্ৰতিভাৰে অসমৰ ধৰ্ম, সমাজ, সাহিত্য, সংস্কৃতি আদি সকলোকে ন-ৰূপ দি জাতীয় জীৱনক সুদৃঢ় কৰি তোলে আৰু এই বাবেই তেওঁক অসমীয়া জাতিৰ জনক বুলি কলে অতিৰঞ্জিত কৰা নহয়।

---

প্ৰবন্ধটো যুগুত কৰোঁতে—ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা'ৰ 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' আৰু ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমীয়া ভাষা আৰু সংস্কৃতি' গ্ৰন্থৰ সহায় লোৱা হৈছে।

# নাট্যকাৰ জ্যোতিপ্ৰসাদ

শ্ৰীঅতুল চন্দ্ৰ দাস
দ্বিতীয় বাৰ্ষিক, স্নাতক মহলা

'কোনো ওজা নাট্যকাৰ আকাশৰ পৰা সৰি নপৰে' প্ৰসঙ্গক্ৰমে জ্যোতিপ্ৰসাদে এই জাৰ্মান পটন্তাটোৰ উল্লেখ কৰিছিল। জ্যোতিপ্ৰসাদ কিন্তু নিজে ইয়াৰ ব্যতিক্ৰম আছিল। নাট্যকাৰ হিচাপে তেওঁৰ নাট্যকৰ্ম আলোচনা কৰিলে এটা কথা কব পাৰি যে, জ্যোতিপ্ৰসাদ ওজা নাট্যকাৰ হিচাপে সচাকৈয়ে আকাশৰ পৰা সৰি পৰা প্ৰতিভা আছিল। সাহিত্য, সংগীত, নাটক, কথছবি আদি সকলো বিষয়তে তেওঁ অনবদ্য অৱদান আগবঢ়াইছে যদিও নাট্যকাৰ হিচাপে জ্যোতিপ্ৰসাদ আগবৰালা অসমীয়া নাট্যজগতত এক উজ্জ্বল ব্যাতিক্ৰম। কাব্য-নাটকৰ বৰ্ণনাৰ প্ৰাধান্যই সাধাৰণতে নাটকৰ ক্ৰিয়া-শীলতা কিছু হ্ৰাস কৰে; কিন্তু ল'ৰালি কালৰ পৰাই ৰঙ্গমঞ্চৰ লগত সম্বন্ধ থকা বাবে আৰু নিজেও এজন সু-অভিনেতা আছিল বাবে তেওঁৰ নাটকবোৰ কাব্য গুণ সম্পন্ন হৈয়ো মঞ্চসফলতা লাভ কৰিছিল।

চৈধ্যবছৰ বয়সতে কৈশোৰ আৰু যৌৱনৰ দোমোজাত জ্যোতিপ্ৰসাদে তেওঁৰ জীৱনৰ প্ৰথম নাটক 'শোণিত-কুঁৱৰী' (১৯২৫ খৃঃ) লিখে। শোণিত কুঁৱৰী পৌৰা-ণিক কাহিনীৰ ওপৰত ভিত্তি কৰি লিখা নাটক। পিতাম্বৰ কবিৰ 'উষা পৰিণয়' আৰু চন্দ্ৰভাৰতীৰ 'কুমাৰ হৰণ'ত নাটকখনিৰ কাহিনীটো পোৱা যায়। উষা আৰু অনিৰুদ্ধৰ প্ৰণয় কাহিনীক লৈ লিখিলেও নাটকখনত মৌলিকতাৰ স্বাক্ষৰ ৰাখিছে। জ্যোতিপ্ৰসাদৰ শিল্পীমনৰ হেঙুল-হাইতাল লাগি যেন সৃষ্টি হৈছে এক নতুন বায়ুমণ্ডলৰ। বাণৰ উপযুক্ত প্ৰতিযোদ্ধাৰ অন্বেষণ আৰু উষাৰ উপযুক্ত পতিৰ সন্ধান—এই দুয়োটা বিষয়-বস্তু সমান্তৰাল উপস্থাপনতেই শোণিত কুঁৱৰী নাট-কৰ সাৰ্থকতা। 'সৌন্দৰ্যৰ ঢৌত উটি যোৱা কুমলীয়া গ্ৰন্থ-কা'ৰৰ এই নাটকখনৰ গীত সমূহ প্ৰাচীন অসমীয়া সংগীতৰ নিদৰ্শন। নাট্যকাৰৰ ভাষাত 'সংগীত বুৰঞ্জীৰ এটা আটাইতকৈ লাগতিয়াল পাত।' স্পষ্টভাষাত কবলৈ গ'লে অসমীয়া নাটজগতৰ একমাত্ৰ সপোন-নাটক শোণিত কুঁৱৰী অসমীয়া নাট্য-সাহিত্যৰ এক বিৰল ঐশ্বৰ্যময় শিল্পকৃতি।

সমস্যা-নাটক 'কাৰেঙৰ লিগিৰী'ৰ (১৯৩৪ খৃঃ) সামন্তযুগীয়া পটভূমিত জ্যোতিপ্ৰসাদৰ সমাজ-সচেতনতাই এক নিদৃষ্ট ৰূপ লয়। সুন্দৰ কোঁৱৰ, কাঞ্চন আৰু অনঙ্গ চৰিত্ৰৰ যোগেদি এটা অতি আধুনিক সমস্যা প্ৰেমক বিবাহ-বান্ধোনৰ মাজত অৱৰুদ্ধ কৰি ৰখাৰ কিবা যুক্তিনিষ্ঠ আৰু সম্ভৱ হয় নে নহয়, তাক বুদ্ধিদীপ্ত নাটকীয় সংলাপেৰে উপস্থাপন কৰি জ্যোতিপ্ৰসাদে নিজৰ সৎসাহসৰ পৰিচয় দিছিল। ব্যক্তিচেতনাৰ লগত সামাজিক পৰম্পৰাবোধৰ সংঘাট উদঙাই থৈবিলেও ই ইব্‌ছেনৰ নাটকৰ সমগোত্ৰীয় নহয়। আখ্যান বস্তুৰ অভিযোজনাৰ ফালৰ পৰা এই নাটকখন শ্বেক্সপিয়েৰীয় ট্ৰেজেডীৰ সমপৰ্যায়ৰ। জ্যোতিপ্ৰসাদৰ উৎকৃষ্টতম

নাটক ' কাৰেঙৰ লিগিৰী'ৰ প্ৰধান বৈশিষ্ট্য কৰুণ-চিত্ৰ ; নায়িকা চিৰদিনলৈ আতৰি গৈছে আৰু নায়ক প্ৰেমৰ জুইত জ্বলি-পুৰি থাকিল। সূক্ষ্ম চৰিত্ৰাঙ্কণ ভাষাৰ কাব্যধৰ্মীতা আৰু বিক্ষিপ্ত ছন্দ প্ৰয়োগ নাটকখনৰ অন্যতম বৈশিষ্ট। প্ৰগতিশীলতা আৰু ৰক্ষণশীলতাৰ মাজত সংঘৰ্ষ, ব্যক্তি ইচ্ছা অভিলাষৰ মূল্য, নৈসৰ্গিক বিৰাট প্ৰকৃতিৰ অনিৰ্বচনীয় প্ৰভাৱ ইত্যাদি ভিন ভিন ভাৱ-ধাৰণাই নাটকখন আকৰ্ষণীয় কৰি তুলিছে।

ভাৰতীয় বোলছবিয়ে নিৰ্বাক যুগৰ পৰা সবাক যুগত ভৰি দিছেহি, তেতিয়াই জ্যোতিপ্ৰসাদে অসমীয়া প্ৰথম বোলছবি ' জয়মতী ' ( ১৯৩৫খৃঃ ) প্ৰযোজনা কৰে। জয়মতী আৰু ' ইন্দ্ৰমালতী ' ( ১৯৩৯ খৃঃ ) বোলছবি দুখনৰ শুভমুক্তিৰ মাজৰ ছোৱাত ' ৰূপালীম ' (১৯৩৮ খৃঃ) নাটকখন লিখি উলিয়ায়। নাটকখনৰ পৰিকল্পনাত নাট্যকাৰৰ মানসপটত নিভৃতে শুই থকা মৰিছ মেটাৰ লিঙ্কৰ ' মন্নাভানা ' নাটৰ ক্ষীণ প্ৰভাৱ পৰিছে বুলি জ্যোতিপ্ৰসাদে নাটকখনৰ পাতনিতে উল্লেখ কৰিছে। আদৰ্শ চৰিত্ৰ দাঙি ধৰাতকৈ চৰিত্ৰৰ বিচিত্ৰতাহে নাটকখনৰ মাজেৰে দেখুৱাবলৈ প্ৰয়াস কৰা হৈছে। নিঃসন্দেহে ৰূপালীম জ্যোতিপ্ৰসাদৰ নাটক কেইখনৰ ভিতৰত মহত্তম নাটক।

' লভিতা ' ( ১৯৪৮ খৃঃ ) নাটকখনক দলিল-নাটক নামেৰে অভিহিত কৰা হৈছে। বিয়াল্লিছৰ গণ-বিপ্লৱ আৰু দ্বিতীয় মহাযুদ্ধৰ ঢৌৱে অসমীয়া জনমানসত কেনে প্ৰতিক্ৰিয়া কৰিছিল তাকেই নাটকখনৰ মাজেৰে প্ৰকাশ কৰা হৈছে। নায়ক আৰু নায়িকাৰ চৰিত্ৰ ইয়াত অঙ্কণ কৰা হোৱা নাই। অসমীয়া জনসাধাৰণেই নাটকখনৰ নায়ক। নাটকখনৰ সম্পূৰ্ণ নতুন আঙ্গিকাৰ প্ৰৱৰ্তনেৰে গতানুগতিক কাহিনী উপস্থাপনৰ কাৰিকৰী ভাঙি তেওঁ অসমীয়া নাট্য-সাহিত্যত সূচনা কৰিছিল এক নতুন যুগৰ। অনুমান কৰিব পাৰি জ্যোতিপ্ৰসাদে যেন এজনী আদৰ্শনীয় অসমীয়া ছোৱালীৰ চৰিত্ৰ অঙ্কন কৰিব খুজিছিল তেওঁৰ পূৰ্ববৰ্তী নাটক কেইখনত। ৰূপালীম আৰু কাৰেঙৰ লিগিৰীত তেওঁ কিছু পৰিমাণে সফলো হৈছিল ; কিন্তু তেওঁৰ আশাই পৰিপূৰ্ণতা লাভ কৰিছে লভিতাত।

' নিমাতী কইনা ' লৌকিক সাধুকথাৰ ভেটিত ৰচনা কৰা এখন ছন্দবদ্ধ গীতি-নাটিকা। নিমাতী কইনা কলা লক্ষ্মীৰ প্ৰতীক। চিৰ সুন্দৰৰ অনন্য সাধনাৰ বলতহে নিমাতী কইনা জাগ্ৰত হৈ উঠে, হাঁহে, মাতে আৰু নৃত্য-গীতেৰে পৃথিৱীক আমোদিত কৰে। সংগীতৰ অলৌকিক শক্তিৰ নিমাতী কইনা এক জ্বলন্ত উদাহৰণ। চমুকৈ কবলৈ হ'লে নিমাতী কইনা এখন অনৱদ্য ৰূপকাশ্ৰয়ী প্ৰতীকবাদী নাটক।

জ্যোতিপ্ৰসাদৰ অকাল বিয়োগত আধৰুৱা হৈ ৰোৱা ' সোণ পখিলী ' শিশু নাটিকা। সোণ-আলসুৱা সোণ পখিলী প্ৰকৃতিৰ সৌন্দৰ্যৰ প্ৰতীক।

মৃত্যুৰ পাছত আলোচনীৰ (' প্ৰকাশ ') পাতত ছোৱা ছোৱাকৈ প্ৰকাশ পায় জ্যোতিপ্ৰসাদৰ ' খনিকৰ ' নামৰ নাটকখন। সেই সময়ত অসমত ভাস্কৰ্য আৰু চিত্ৰকলাৰ অনুশীলন আৰু তাৰ প্ৰমূল্য সম্পৰ্কে অসমীয়া সমাজ মুঠেই সচেতন নাছিল ; বৰঞ্চ ইয়াৰ প্ৰতি বিৰূপ মনোভাৱহে পোষণ কৰিছিল। এনে ক্ষেত্ৰত সুকুমাৰ কলাৰ চৰ্চা সম্পৰ্কে অসমীয়া সমাজক সচেতন কৰিবলৈ জ্যোতিপ্ৰসাদে ' খনিকৰ ' নাটকখন ৰচনা কৰে বুলি অনুমান কৰিব পাৰি। নাটকখনত নায়ক নবীনে আত্মীয় স্বজন আৰু সকলো বাধা নেওচি ফ্ৰান্সদেশত ভাস্কৰ্য বিদ্যাৰ শিক্ষালৈ আন্তৰ্জাতিক খ্যাতি লাভ কৰে। নাটকখনৰ মূলে চৰিত্ৰ পৰিকল্পনাত আছে আগৰৱালা পৰিয়ালৰ এটা শোকাবহ ঘটনা। চন্দ্ৰ কুমাৰ আগৰৱালাৰ মাজু ল'ৰা অৰুণ কুমাৰ আছিল অত্যন্ত জেদী স্বভাৱৰ। দেউতাকৰ বাধা পাই তৰুণ কুমাৰ বিলাতলৈ

যাব নোৱাৰি আত্মহত্যা কৰে। ইয়াৰ পটভূমিতে জ্যোতি প্ৰসাদে খনিকৰ নাটকখন ৰচনা কৰে।

জ্যোতি প্ৰসাদৰ আটাইকেইখন নাটকতে সংগীতৰ প্ৰচুৰ প্ৰয়োগ দেখা যায়। তেৱেঁই থলুৱা গীত-মাতক পোন প্ৰথমে নাটকত স্থান দিয়ে। কাব্য ধৰ্মীতাই মাজে মাজে কাহিনী ভাগক লৌকিক জগতৰ পৰা আতৰাই নিয়ে। জ্যোতিপ্ৰসাদ অগ্নি যুগৰ ফিৰিঙতি। বিপ্লৱী মনীষাই তেওঁৰ নাটকৰ মাজেৰেও ভূমুকি মাৰে। নায়িকাৰ নামেৰেই সাধাৰণতে নাটকসমূহৰ নামকৰণ কৰে।

জ্যোতিপ্ৰসাদৰ নাট্য-মানস প্ৰৱাহমান নদীৰ দৰে। আৱদ্ধ জলাশয়ৰ মলিন পানী তাত প্ৰাৱলৈ নাই। তেওঁৰ কোনোখন নাটকেই আনৰ অবিমিশ্ৰ প্ৰতিধ্বনি নহয়। সেয়ে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰত্যেকখন নাটকে অসমীয়া নাট্য-সাহিত্যৰ বুৰঞ্জীত সুন্দৰৰ-ন-দিগন্ত উন্মোচিত কৰি থৈ গৈছে।

## গ্ৰন্থপঞ্জী


১। অসমীয়া বিশ্বকোষ— অসম প্ৰকাশন পৰিষদ

২। জ্যোতিপ্ৰসাদ ৰচনাৱলী— ঐ

৩। প্ৰকাশ— জ্যোতিপ্ৰসাদ সংখ্যা, জানুৱাৰী ১৯৮১

# ৰাভা সমাজ আৰু সংস্কৃতিৰ চমু আভাস

শ্ৰীদিগন্ত কুমাৰ ৰাভা
২য় বাৰ্ষিক, উঃ মাঃ

ভাৰতীয় সংস্কৃতি হ'ল যৌগিক সংস্কৃতি। অসমীয়া সংস্কৃতি ভাৰতীয় সংস্কৃতিৰে এটা উপকৰণ মাথোন। বিভিন্ন সময়ত অন্ততঃ ছটা জনগোষ্ঠী ভাৰতলৈ আহিছিল আৰু তেওঁলোকৰ সংস্কৃতি প্ৰতিষ্ঠা কৰিছিল। সেয়ে ভাৰতীয় সংস্কৃতি যৌগিক সংস্কৃতি। ডঃ বিৰাজশঙ্কৰ গুহই ভাৰতীয় জনগোষ্ঠীক নেগ্ৰিটো বা নিগ্ৰো, প্ৰায়-অষ্ট্ৰেলীয়, দীৰ্ঘমস্তকী, মঙ্গোলীয়, ভূমধ্য সাগৰীয়, পশ্চিমীয়া প্ৰশস্ত মস্তকী আৰু নৰ্ডিক—এই ছটা ভাগত ভাগ কৰিছে। অসমীয়া মানুহৰ গাত এই মূল জনগোষ্ঠী আটাইকেইটাৰে তেজৰ সংমিশ্ৰণ ঘটিছে আৰু সকলো মানুহ মিহলি হৈ অসমীয়া জাতিটোৰ জন্ম হৈছে। অসমৰ সংস্কৃতি প্ৰৱাহমান লুইতৰ দৰে। অসমৰ সংস্কৃতি ভাৰতীয় আৰ্যমুখী হলেও অসমৰ জন সংখ্যাৰ অধিকাংশই হ'ল মঙ্গোলীয় জনসমষ্টিৰ অন্তৰ্ভূক্ত। ব্ৰাহ্মণ, কায়স্থ আৰু কলিতা মানুহখিনিক বাদ দি অসমৰ থলুৱা আটাইবিলাক মানুহেই মঙ্গোলীয়।

অসমত বাসকৰা জনজাতি সকলৰ ভিতৰৰে এটি অন্যতম জনগোষ্ঠী হল ৰাভা সকল। ৰাভাসকলক বড়ো গোষ্ঠীৰে এটি শাখা বুলি কব খোজে যদিও ৰাভাসকলৰ নিজস্ব সংস্কৃতি আছে। এই প্ৰবন্ধটোত ৰাভাসমাজ আৰু কেইবিধমান থলুৱা সংস্কৃতিৰ এটি চমু আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

ৰাভাসকলৰ ভাগ বহুতো। সেই ভাগবোৰ এনে ধৰণৰ—ৰংদানীয়া, পাতি, মাইটৰীয়া বিটলীয়া, হানা, চোঙা, টোটলা, দাহৰী, কোচছা ইত্যাদি। প্ৰথম তিনিটাৰ বাহিৰে বাকীবোৰ প্ৰায় লুপ্ত। পাতি ৰাভাসকলে দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ পূব অঞ্চলত বাস কৰে। বৰ্ত্তমান এই পাতি ৰাভাসকলে নিজৰ ভাষা কৃষ্টি এৰি পেলাইছে। হিন্দু ধৰ্মৰ প্ৰতি আগবাঢ়ি অহা পাতিৰাভা সকলৰে এটি ভাগ 'কোচ' বুলি বহুতে কয়। গোৱালপাৰাৰ বাকী অংশত বসবাস কৰে 'ৰাংদানীয়া' 'মাইটৰীয়া' আদি ভাগবোৰে। এই ভাগ কেইটাই বৰ্ত্তমান ৰাভাসকলৰ ভাষা কৃষ্টি জীয়াই ৰাখিছে। পাতি ৰাভাসকলৰ স্বকীয় বৈশিষ্ট্য এওঁলোকৰ মাজত এতিয়াও বিৰাজমান।

ৰাভাসকলৰ অন্যতম উপাস্য দেৱতা হ'ল খোকচি বা বায়খো পূজাৰ দেৱতা। জনবিশ্বাস মতে এই বায়খো হ'ল খেতিৰ অধিষ্ঠাত্ৰী। এই বায়খো পূজাৰ কাম-কাজবোৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ৰাভাসকলৰ মাজত বিভিন্ন খেল বা উপজাতিৰ সৃষ্টি হৈছে। প্ৰথমে উল্লেখ কৰা ভাগবোৰ এই বায়খো পূজাৰ পূজৰ পৰাই হোৱা।

বায়খো পূজাত শিল কঢ়িওৱাৰ দায়িত্বত থকাসকলক 'ৰংদানীয়া', ভোজনৰ সময়ত ভগোৱাৰ দায়িত্বত থকা

সকলক 'মায়টৰীয়া', বন্ধনশাললৈ অহা চবাই-চিৰিকটি খেদিব দিয়াসকল 'দাহৰী' নামে জনাজাত। আগৰ দিনত বাভাসমাজত মদ বা পানী সদায় বাহৰ চুঙাত খোৱা হৈছিল। এই চুঙা অনা দায়িত্বত থকাসকলক 'পাতি' আৰু সামাজিক অনুষ্ঠানত ধেমেলীয়া কথাকৈ হাঁহিব খোৱাক জগোৱা সকলক 'বিটলীয়া' বুলি কোৱা হয়।

বাভাসকলৰ মাজত থকা বিভিন্ন গোত্র সমূহক 'মাহাৰী' বুলি কোৱা হয়। পাতি বাভাসকলৰ মাহাৰীবিলাক এনেধৰণৰ—চঙে, চিনালনফা, নংদো, কছু, দাবু, ভিয়া ভগম, বং বং, কাঠো, নংবাগ, ডবাখল ইত্যাদি। এই বাৰটা মাহাৰীক একেলগে 'বাৰ মাহাৰী' বুলি কোৱা হয়। বাভাসকলৰ সামাজিক ব্যৱস্থামতে একে মাহাৰীত বিবাহকার্য সম্পন্ন কৰাটো দণ্ডনীয়।

বাভাসকলে পালন কৰা পূজা-পার্বনবোৰ ঐতিহ্যমণ্ডিত। পূজাৰ ভিতৰত লাঙামাৰ, কেচাইখাতী, ঘৰগোসানী ইত্যাদি পূজাই প্রধান।

লাঙামাৰ পূজা বাভাসকলৰ এটি অন্যতম অনুষ্ঠান। শিৱ হ'ল এওঁলোকৰ উপাস্য দেৱতা। কথিত আছে যে, শিৱই হেনো নাঙঠ হৈ পূজা খাই ফুৰিছিল কাৰণে এই ধৰণৰ পূজাক 'লাঙা' পূজা বুলি কোৱা হয়।

পাতিবাভাসকলৰ পূজ্যদেৱী সকলৰ অন্যতম দেৱী হ'ল 'ঘৰ গোসানী'। পুৰাণ আখ্যানমতে এই ঘৰ গোসানী থানেহৰী নামৰ বুঢ়ী এজনীৰ জীয়েক আৰু শিৱৰ স্ত্রী। গঙ্গা আৰু দুৰ্গাই জোৰকৈ শিৱক ঘৰগোসানীৰ ওচৰৰ পৰা টানিলৈ আনোতে শিৱই হেনো ঘৰগোসানীক এই বুলি বৰ দিছিল—

"পাছপুত্র খাৱপূজা খোঁত পথাৰে,
তই ঘৰণী পূজা খাবি ঘৰৰ ভিতৰে।"

শিৱৰ এই বৰ অনুসৰি ঘৰগোসানীৰ গৰ্ভত পাচ পুত্রৰ জন্ম হয়। ইহঁতে খোঁত পথাৰত পূজা খাই ফুৰে। তেওঁয়োৰ পৰাই হেনো পাতি বাভাসকলে খোঁৰ পথাৰত ঘৰগোসানীক পূজা কৰে।

বাভাসকলৰ বিভিন্ন ধৰ্মীয় লোক অনুষ্ঠানৰ ভিতৰত কেইটামান হ'ল হানা ঘোঁৰা, জাৰি ঘোৰা, পাথনৃত্য, মাৰংখেদা ইত্যাদি। এই হানা ঘোঁৰা আৰু জাৰিঘোৰাৰ এক অলৌকিক শক্তি আছে বুলি জনসমাজে বিশ্বাস কৰে। লোক বিশ্বাস মতে ইয়াক উপলুঙা কৰিলে মানুহৰ অমঙ্গল হয়।

বাভাসংস্কৃতিৰ এক অন্যতম সম্পদ হৈছে দেওধনী। এই দেওধনী পাতি বাভাসকলৰ মাৰে অনুষ্ঠানৰ এক অপৰিহাৰ্য্য অঙ্গ। তিৰোতা বা ছোৱালী মানুহে দেওধনী হৈ মাৰেপূজাত নৃত্য কৰে। স্থান বিশেষে পুৰুষ দেওধাও দেখা পোৱা যায়। দেও মানে দেৱতা আৰু ধনী মানে গাভৰু। ইচ্ছা কৰিলেই যিকোনো তিৰোতা বা গাভৰুৱে দেওধনী হৈ নাচিব নোৱাৰে। ওজাই গীত পৰিবেশন কৰে আৰু দেওধনীয়ে নৃত্য পৰিবেশন কৰে। দেওধনীয়ে দকত প্ৰৱে। ভবদক মানে মৃত লক্ষীন্দৰক বুজোৱা হয়। প্ৰৱাদ আছে মৃত স্বামীক জীয়াই তুলিবলৈ হেনো বেউলাই শিৱ আৰু আন আন দেৱ-দেৱী সকলৰ আগত এনেদৰে নৃত্য কৰিছিল। সেয়াই পিছলৈ দেওধনী নৃত্য নামে খ্যাত হ'ল। দক্ষিণ কামৰূপ অঞ্চলত মাৰেপূজাৰ এই দেওধনী নৃত্য এক ঐতিহ্যপূৰ্ণ নৃত্য গীতৰ অনুষ্ঠান। সুকনানী ওজাপালিৰ গীতৰ তালে তালে দেওধনীয়ে নৃত্য কৰে আৰু মনসা দেৱীৰ আগত জীয়া জীৱ-জন্তু বলি দি পূজা কৰা হয়। বাভা লোক-সংস্কৃতিৰ এই বৈচিত্র্যপূৰ্ণ অৱদানে অসমীয়া লোক-সংস্কৃতিত প্ৰভূত অৱদান আগবঢ়াইছে।

---

প্রবন্ধটো যুগুতাওত সহায় লোৱা পুথিকেইখন হৈছে— ১। 'দক্ষিণ কামৰূপৰ বাভা সংস্কৃতিত এভুমুকি': সূৰ্য কুমাৰ মজুমদাৰ ২। 'ঘৰগোসানী দেৱী' (প্ৰবন্ধ): শ্ৰীবীৰেন ৰাভা।

# ৰঘুনাথ চৌধাৰী আৰু তেওঁৰ কবিতা
## এটি সমীক্ষাত্মক আলোচনা

যতীন মেধি
প্ৰৱক্তা অসমীয়া বিভাগ

নৱন্যাস আন্দোলনক পৰিপুষ্ট কৰি তোলা কবি সকলৰ ভিতৰত কাব্যত্ব অলঙ্কাৰেৰে বিভূষিত অসমীয়া কাব্যজগতত 'বিহগী কবি' নামেৰে পৰিচিত ৰঘুনাথ চৌধাৰী আছিল অন্যতম শ্ৰেষ্ঠ কবি। যিজনা ক্ষণজন্মা কবিয়ে 'জোনাকী' যুগৰ পৰা মৃত্যুৰ প্ৰাক্ মুহূৰ্তলৈ কাব্য সাহিত্যৰ অনু-পৰমানুৰে সৈতে বিশেষভাবে সংযোজিত হৈ আছিল, যাৰ জীৱনেই আছিল এক কাব্য-ইতিহাস—তেনে এগৰাকী কবিৰ শৈশৱকালছোৱা আছিল দুখ বেদনাৰে ভৰা।

আজন্ম কাব্য-সাধনাৰত কবি চৌধাৰীৰ জন্ম হয় অবিভক্ত কামৰূপ জিলাৰ লাওপাৰা গাৱঁত ১৮৭৯ চনত পিতৃ ভোলানাথ আৰু মাতৃ দয়ালতাৰ তৃতীয় তথা কনিষ্ঠ সন্তান আছিল ৰঘুনাথ। সুখ-সমৃদ্ধিৰে ভৰা এখন সংসাৰ ভোলানাথৰ ; কিন্তু নিয়তিৰ কুটিল পৰিহাসত তেনে এটি পৰিয়াললৈ নামি আহিছিল এটাৰ পিচত এটাকৈ দুৰ্যোগ। পানী কেছুৱাতে পিৰালীৰ পৰা পৰি ভৰি ভাঙি বিকালঙ্গ শৰীৰৰ অসহনীয় বোজা মৃত্যুপাতি লৰ লগাত পৰিছিল ৰঘুনাথে। মাত্ৰ চাৰিবছৰ বয়সতে তেওঁ হেৰুৱালে ককায়েক, বায়েক আৰু জন্মদাতৃ মাতৃ দয়াৱতী দয়ালতাক। বিপদ অকলেই নাহে। জীৱনৰ এই দুৰ্যোগত ভোলানাথৰ পৰিয়ালক মিতিৰ কুটুম্বে সহায় কৰাৰ বিপৰীতে সকলো সম্পত্তি আত্মসাৎ কৰিলে। ভোলানাথে মানসিক ভাৰসাম্য হেৰুৱালে।

ৰঘুনাথ চৌধাৰীৰ শিক্ষা জীৱনো আথাড়খৰীয়া হৈ বল নাটকীয় ভাৱেই। তেওঁ চৰকাৰী হাইস্কুলত (বৰ্ত্তমান কলেজিয়েট হাইস্কুল) পঢ়ি থাকোতে এবাৰ পৰীক্ষাত অঙ্কৰ নম্বৰ লৈ শিক্ষকৰ লগত মনোমালিন্য হ'ল। ৰঘুৱে ভাবে তেওঁৰ অঙ্ক শুদ্ধ হৈছে ; তেওঁ নম্বৰ পাব লাগে ; শিক্ষকৰ মতে অঙ্কা শুদ্ধ হোৱা নাই। তেওঁ জিদ্ ধৰিলে। কথা গৈ প্ৰধান শিক্ষকৰ ওচৰ পালে। প্ৰধান শিক্ষকৰ পৰাও সুবিচাৰ নাপালে, বৰঞ্চ তেওঁৰ আচৰণ দোষনীয় বুলি বিবেচিত হ'ল। ৰঘুনাথে মানসিক আঘাত পালে। যি শিক্ষানুষ্ঠানত সুবিচাৰ নাই, তেনে শিক্ষানুষ্ঠানত পঢ়িয়েৰা কি হব ? বিদ্ৰোহী ৰঘুনাথে স্কুল এৰিলে। ছাত্ৰ জীৱনৰ কৰুণ পৰিসমাপ্তি ঘটিল। আৰু এদিন শেষ আশ্ৰয়স্থল পিতৃ ভোলানাথেও জহনী ৰোগত পৰি এই সংসাৰৰ পৰা বিদায় মাগিলে।

জীৱন-ধুমুহাৰ এই বা-সাৱলীয়ে ৰঘুনাথৰ জীৱন থকা-সৰকা কৰিলেও 'জুয়ে পোৰা সোণ'ৰ দৰে তেওঁ উজ্জ্বলি উঠিল নিজৰ কাব্য-কৰ্মৰে। সাংবাদিক আৰু কবি এই দ্বৈত চৰিত্ৰ লৈ তেওঁ কাব্য-নাটত যোগ দিলে।

সত্যনাথ বৰাই সম্পাদনা কৰা 'জোনাকী' কাকতৰ সহকাৰী সম্পাদকৰ দায়িত্বলৈ তেওঁ কবিতা লিখিবলৈ আৰম্ভ কৰে। তেওঁ সামাজিক ভাবে কবি হিচাপে চিনাকী দিছিল 'মৰমৰ পখী' নামৰ কবিতাৰে 'জোনাকী'ৰ জৰিয়তে। এইদৰেই ক্ৰমে 'জয়ন্তী' কাকতৰ সম্পাদকৰ দায়িত্ব লয়। 'জয়ন্তী'য়ে কেবাগৰাকীও কবিৰ জন্ম দি জননীৰ কৰ্ত্তব্য পালন কৰি নিজ বাটেৰে বিদায় লোৱাৰ পিছত আবিৰ্ভাৱ হয় 'সুৰভি'ৰ। কিন্তু 'সুৰভি'য়ে বেছি দিন জীয়াই থাকিব নোৱাৰিলে। এইদৰে 'জোনাকী'ত সহকাৰী সম্পাদক হিচাপে আৰম্ভ হোৱা সাংবাদিক জীৱন 'জয়ন্তী'ৰ মাজেৰে প্ৰবাহিত হৈ 'সুৰভি'ত যৱনিকা পৰে। তেওঁ এখনি শিশু আলোচনী 'মইনা' সম্পাদনা কৰিছিল।

ৰঘুনাথ চৌধাৰীৰ কবিতাৰ ঘাই উপজীব্য প্ৰকৃতি, বিশেষকৈ ফুলৰ পাপৰি আৰু চৰাইৰ সুমধুৰ গানৰ কাকলী চৌধাৰীৰ কবিতাৰ উৎস। প্ৰকৃতিৰ ৰুদ্ৰ-ৰূপৰ প্ৰতি কবি আনমনা। সৌন্দৰ্য্যৰ উপাসক কবিয়ে নিষ্ঠা আৰু প্ৰভাৰ বলত প্ৰকৃতিৰ বুকুত বিচাৰি পাইছে অপূৰ্ব সৌন্দৰ্য্য আৰু সেই সৌন্দৰ্য্যৰ মহামেলা চাই কবিৰ হৃদয় আনন্দত অধীৰ হৈ উঠিছে। ক্ষন্তেকৰ কাৰণে হলেও মনৰ দুখ—ভাগৰ পাহৰি শান্তিৰ মলয়াত নিজৰ মন—প্ৰাণ জুৰ পেলায়। লৌকিক সৌন্দৰ্য্য আৰু অলৌকিক ৰহস্য দুয়োটাকে কবিয়ে বিচাৰি উলিয়াইছে প্ৰকৃতিৰ বুকুত। বহু কবিৰ দৰে ৰঘুনাথ চৌধাৰীয়ে প্ৰকৃতিৰ বাহ্যিক ৰূপৰ বৰ্ণনা কৰি নিজকে প্ৰত্যয় নিয়াৰ পৰা নাই। সম্পুৰ্ণ ভাৰতীয় দৃষ্টিভঙ্গীৰে তেওঁ প্ৰকৃতি জগতক কাব্য কাননত এনেদৰে সজাই তুলিছে যেন কাব্য আৰু প্ৰকৃতিক পৃথক কৰি বাচি উলিওৱাটো একেবাৰে অসম্ভৱ। কবিৰ প্ৰতিটো কবিতাই অনুভূতিশীল অন্তৰৰ নিভৃততম কোণৰ পৰা নিগৰি ওলোৱা স্বতঃস্ফূৰ্ত্ত আবেগৰ ঢৌ; যেন একো একোটি উজ্জ্বল নিৰ্মল নিয়ৰৰ টোপালহে! সৌন্দৰ্য্য-পিপাসু কবিৰ মনক প্ৰকৃতিৰ সৌন্দৰ্য্যাই উন্মনা কৰি তুলিছে; প্ৰকৃতিৰ মাজলৈ যিমানে সোমাই গৈছে সিমানে মগ্ন হৈ উঠিছে, যেন তাৰ বুকুতে হেৰাই যাব। প্ৰকৃতিৰ শ্যামলী শোভা বিভিন্ন ঋতুৰ সৌন্দৰ্য্য, বন-বিহগীৰ কণ্ঠ-সংগীত, জান-জুৰিৰ কুলু-কুলু ধ্বনি—মুঠতে নৈসৰ্গিক প্ৰকৃতিৰ এই বিশাল মন্দিৰত সাধনাৰত অৱস্থাতে কবিয়ে উপলব্ধি কৰিলে বিশ্ব-প্ৰকৃতিৰ স্বৰূপ-

জড় জগতত জীৱ জগতত
পাওঁ সকলোতে দেখা
মহা বিশ্ব জুৰি বিৰাজিছে যেন
অনন্দৰ পূৰ্ণ ৰেখা।

কবিতা পাঠে পাঠকৰ হৃদয়ত এক অজান শিহৰণ জগায়। চৌধাৰীৰ কবিতা চিন্তা জগতৰ নীৰস বস্তু নহয়। মানুহৰ আদৰৰ এই সেউজবুলীয়া পৃথিৱীখনৰ পৰা কবিয়ে কেইপাহমান আটকধুনীয়া ফুল-পাত গোটাই সৃষ্টি কৰিছে তেওঁৰ কাব্য-কানন।

চৌধাৰীদেৱে প্ৰকৃতি জগতৰ বাহ্যিক ৰূপৰ বৰ্ণনাত সীমাবদ্ধ হৈ নাথাকি তাৰ নৈ-নলা, চৰাই-চিৰিকতি, ফুল-ফল আদিত আপোন মনৰ সংযোগ ঘটাই এটা দৰ্শন প্ৰতিষ্ঠিত কৰিছে। প্ৰকৃতিৰ বিবিধ উপাদানৰ সতে নিজকে একাকাৰ কৰি প্ৰকৃতি জগতত বিৰাজ কৰা আনন্দ উপভোগ কৰাৰ অভিলাষ চৌধাৰীৰ প্ৰকৃতি কবিতাৰ এটা বিশিষ্ট সুৰ। ড: বাণীকান্ত কাকতিদেৱে কোৱাৰ দৰে—'এনে কবিতাৰ ভিতৰেদি প্ৰেমিকৰ লোলুপ স্পৃহা জাগি উঠা দেখা যায়। এনে ধৰণৰ ভাব প্ৰকাশ পাইছে কবিৰ 'হেপাহ' কবিতাৰ মাজেৰে—

বিহৰিছে আহা, কুঞ্জ কাননত
প্ৰেমিকা বসন্ত ৰাণী;
ইচ্ছা হয় যেন মন-পখী মোৰ
কৰে গুণগান নৱ বসন্তৰ,
দিওঁ দুগালত হেঙুলী বোলৰ;
কুঙ্কুম চন্দন সানি।

কবিয়ে কল্পনাৰ বৈভৱ আৰু বৰ্ণনা বৈচিত্ৰৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে তেওঁৰ বিভিন্ন কবিতাৰ মাজেৰে 'বহাগীৰ বিয়া' এই ক্ষেত্ৰত বিশেষ মন কৰিবলগীয়া কবিতা। কবিৰ মনত প্ৰকৃতি নীৰৱ, নিৰ্জীৱ বাহিৰৰ সাজ-সজ্জা বা তৰুলতাৰ সৌন্দৰ্য্য নহয়। প্ৰকৃতি জগতৰ বিশিষ্ট সৌন্দৰ্য্য-যুক্ত গছ-লতা, ফুল-চৰাই বসন্ত কালৰ তীব্ৰ মোহিনী ৰূপ বহাগীক 'পাটৰাণী' ৰূপে সজাই তুলি প্ৰকৃতিক এজনী অসমীয়া কইনাৰ ৰূপ দিওঁতে কবি-কল্পনাই যেন পাৰ ভাঙি বৈ গৈছে—

পিন্ধালে ময়ূৰে গোমচেং মেখেলা
ভমকা ফুলীয়া চাই,
দিলে বুটা তুলি ফুল বছা বিহা
বচকী পখিলা বাই।

প্ৰকৃতিৰ গুণ-গান গোৱা ৰোমাণ্টিক কবিসকলৰ সাধাৰণ ধৰ্ম। ৰঘুনাথ চৌধাৰীৰ কবিতাত এই প্ৰকৃতিয়ে অসাধাৰণভাবে বিকাশ লাভ কৰিছে। ডঃ নেওগৰ ভাষাতে কবলৈ হলে—"চৌধাৰীয়ে বিহগী জীৱনৰ ছন্দোময় কাৰুণ্যৰ সন্ধান বিচাৰি প্ৰকৃতি কবিতাত এটা অভিনৱ তাৎপৰ্য্য আৰোপ কৰিলে আৰু তাৰ ভিতৰেদি নিজস্ব লিৰিকেল বিষাদ মূৰ্ত্ত কৰি তুলিলে; কালিদাস আদি কবিগুৰুৰ মানসিক পৰিবেশ, চিত্ৰকল্প আৰু ভাষাৰ সৌন্দৰ্য্যৰ প্ৰভাৱ স্বীকাৰ কৰিও তেওঁ আধুনিক লিৰিকৰ ৰূপ নিটোল আৰু অক্ষত কৰি তুলিছিল। "দহিকতৰা"ৰ সৌন্দৰ্য-পিপাসু ৰাণী চিত্ৰবোৰ প্ৰেমপূৰ্ণ আৰু বৰ্ণ সৌৰভাঢ্য।" ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ত লিখিছে চৌধাৰীৰ কবিতাসমূহ প্ৰকৃতি বিষয়ক, প্ৰধানকৈ ফুল আৰু চৰাই সম্পৰ্কীয়। অনুভূতি আৰু বৰ্ণনা সৌষ্ঠৱে তেওঁৰ কবিতা-সমূহ প্ৰাণবন্ত।"

কবিৰ সমূহ প্ৰকৃতি বিষয়ক কবিতাৰাজিৰ মাজেৰে যেন প্ৰকৃতি দেৱীয়ে চৰম সাৰ্থকতা লাভ কৰিছে। 'আৱাহন' কবিতাৰে উচ্চ শ্ৰদ্ধাৰে স্বাগতম জনাইছিল প্ৰকৃতিৰ বেহ ৰূপৰ মাজেৰেই। কবিতাটি যদিও বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱীক উদ্দেশ্য কৰি ৰচনা কৰিছে তাৰ মাজেদিয়েই প্ৰকৃতিৰ ৰং-ৰূপহি, শোভা-সৌন্দৰ্য্যৰ মাজেদি সকলোতে বিৰাজ কৰা প্ৰকৃতিৰ মনোমোহিনী মূৰ্ত্তিলৈ আঙুলিয়াই দিয়ে। 'বশিষ্ঠাশ্ৰম'ত 'সন্ধ্যা ললিতা কান্তা'ৰ কুলু কুলু ধ্বনি শুনি যেই সেই নীৰস চিত্ততো গভীৰ আনন্দ আৰু বিস্ময় পুলকৰ সঞ্চাৰ হয় আৰু তাপিত হৃদয় সাত পৰি যায়। তেনেদৰে 'গিৰিমল্লিকা' ই কবিৰ অন্তৰত নানান ভাবৰ লহৰ তুলিছে। চৌধাৰীৰ প্ৰকৃতি বিষয়ক কবিতাৰ বিষয়ে এনেদৰে কব পাৰি যে কবিক বাদ দিলে প্ৰকৃতি হৈ পৰে অন্তঃসাৰ-শূণ্য আৰু প্ৰকৃতিক বাদ দিলে কবিৰ জীৱন হৈ পৰে নিৰৰ্থক। এটাৰ পৰা আন এটাক পৃথক কৰি উলিয়াব নোৱাৰি। দুয়ো যেন অভিন্ন অবিচ্ছেদ্য;

দুইৰো দুখনি হিয়া একেখনি হই
বন্ধা আছে প্ৰণয় ডোলত
কদাপিতো দুজনৰ নহব বিচ্ছেদ।

ফুল আৰু চৰাই জীৱনৰ প্ৰতি কবিৰ যি আকৰ্ষণ সেই আকৰ্ষণৰ ফলতে সৃষ্টি হৈছিল অনুপম গীতি কবিতাসমূহ। তেওঁৰ প্ৰকৃতি বিষয়ক কবিতা সমূহ থূপ খাই আছে—'সাদৰী' (১৯১০) 'কেতেকী' (১৯১৮), আৰু 'দহিকতৰা' (১৯৩১)ত। এইবোৰৰ উপৰিও চৌধাৰী দেৱৰ ৰচিত এখন ভক্তিময় কাব্যৰ পুথি 'কাৰবালা' (১৯২৩) আন আন কাব্যৰ তুলনাত উজ্জ্বল প্ৰচেষ্টা নহয় যেন অনুমান হয়। 'কাৰবালা' কাব্যৰ বিষয়-বস্তু ইছলাম ধৰ্মৰ প্ৰবৰ্ত্তক হজৰত মহম্মদৰ বংশৰ শেষ বাস্তি এমাম হোছেনৰ শোকাবহ কাহিনী। 'কাৰবালা'ত আৰবী আৰু ফাৰ্চী শব্দৰ প্ৰয়োগ বিশেষ মন কৰিবলগীয়া। 'নৱ মল্লিকা' (১৯৫৮) কথা-কবিতাৰ পুথি। মৰণোত্তৰ কালত 'মইনা বৰাগী' (কবিতা) আৰু 'পৰ্চাতিয়া' নামে গল্পৰ পুথি প্ৰকাশ পায়।

এইখিনিতে উল্লেখনীয় যে চৌধাৰীৰ প্ৰকৃতি বিষয়ক কবিতাসমূহৰ উপৰিও আন এক শ্ৰেণীৰ কবিতা

আছে—য'ত কবিয়ে সংসাৰৰ ভোগ বিলাসক মৰীচিকা জ্ঞান কৰি বৈৰাগ্য অৱলম্বন কৰিব বিচাৰিছে। ইয়াৰ অন্তৰালত লুকাই আছে শৈশৱৰ পৰা এটি এটিকৈ সন্মুখীন হোৱা তেওঁৰ কৰুণ অভিজ্ঞতা সমূহ। অভিজ্ঞতা কবি-জীৱনৰ দিগ্ নিৰ্ণয়কাৰী যন্ত্ৰ। মেথিউ আৰ্ণল্ডে কৈছিল—"Poetry is at bottom a criticism of Life." কবিতা জীৱনৰ অভিজ্ঞতাৰ সমালোচনা। ইংৰাজ কবি শ্বেলীয়ে কৈছিল—"We teach in song what we learn in pain." জীৱনত জীয়াতু ভুগি আমি যি শিক্ষা লাভ কৰো, সঙ্গীতৰ সুৰদী সুৰত আমি তাকে ব্যক্ত কৰো।" বৈৰাগ্যমূলক কবিতাবোৰত চৌধাৰীদেৱৰ ব্যথাহত, মৰ্মাহত জীৱনৰ কৰুণ আৰ্তনাদ ধ্বনিত হৈছে। 'বৈৰাগ্যৰ কথা,' 'মৰণ', 'অন্তিম জ্যোতি,' 'ফুলশয্যা,' 'ভিক্ষা' আদি কবিতাত অন্তৰৰ পুঞ্জীভূত বেদনাৰ তীব্ৰ হলাহল ঢালি দিছে:

পিশাচিনী কামনাক দিছো আঁতৰাই
তাই মোক দিছে বহু দুখ,
শৰীৰ শিয়ৰি উঠে পৰিলে মনত
ৰাক্ষসীৰ কদাকাৰ মুখ।

তেওঁৰ অন্তৰত হুমাহুমে উথলি উঠা বিৰহৰ জ্বালা ক'ত মাৰ নিয়াব? তাকে কৰলৈ "বিৰহীৰ উক্তি" কবিতা লিখিছে:

হুতাসী প্ৰাণত উঠে চিন্তা-চিতাধূম
অবিৰাম হু হু শবদেৰে;
জুৰাবৰ ঠাই নাই মহা শ্মশানত
দগ্ধ প্ৰাণ শীতল নপৰে।

কবিৰ 'অন্তৰ্দাহী ৰাৱণৰ চিতাজুই' কুথা যেন কোনো দিনে নুনুমায়। শৈশৱৰে পৰা পাই অহা কঠোৰ আঘাতৰ ফলতেই এই কবিতাবোৰত বৈৰাগ্যৰ ভাব ফুটি উঠা বুলি কব পাৰি। কবিৰ জীৱনত জ্বলি উঠা এই চিন্তা-চিতা-ধূম কেতিয়াবা নিৰ্বাপিত হ'বনে?

কোন কাহানিয়ে তুমি হ'বি নিছা মোৰ
প্ৰীতি ভৰা প্ৰণয়ৰ লাবু,
অন্তৰ্দাহী ৰাৱণৰ চিতা জুইকুৰা
কোন দিনা নুমাবনো আৰু।

ৰঘুনাথ চৌধাৰীক বিহগী কবি আখ্যা দিয়াতো যথাৰ্থ হৈছে। কবি যেন প্ৰকৃতিৰ চৰাই বিশেষজ্ঞ। তেওঁৰ সমসাময়িক কবিসকলৰ ভিতৰত অকল তেৱেঁই 'মৰমৰ পখী', 'কেতেকী', 'দহিকতৰা', 'কেতেকী চৰাই' 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী' প্ৰভৃতি কেবাটাও চৰাই বিষয়ক কবিতা লিখিছে। কবিয়ে গোপনতে 'বহাগীৰ বিয়া'ত চৰাই আৰু প্ৰকৃতিক একেলগে নিৰীক্ষণ কৰিছে য'ত জড়-জগত, জীৱ-জগতত মহ। বখ্ৰজুৰি আনন্দৰ পূৰ্ণ ৰেখা উপলব্ধি কৰিব পাৰিছে। আনন্দৰ এই মহা-মেলাত পূৰ্ণা হুতি দিছে কুলি-কেতেকীৰ সুমধুৰ মাতে। বিহগী জীৱনৰ ছাঁ-পোহৰৰ ৰহস্যঘনতাই 'মৰমৰ পখী'ত সুকীয়া ৰূপ লৈছে। কেতেকী এই ক্ষুদ্ৰ পখীটিৰ ক্ষুদ্ৰ হৃদয়ত ঐশ শক্তিৰ অৱস্থান মন কৰিবলগীয়া কথা। কেতেকীৰ স্বৰ্গ-মৰ্ত্যত অবাধ বিচৰণ। আনহাতে প্ৰিয়-বিহঙ্গিনীৰ শুৱলা মাতত কবিয়ে একেলগে উপলব্ধি কৰিছে ছয়ৰাগ ছয় ত্ৰিশ ৰাগিণীৰ গীতৰ মাধুৰ্য্য। কোনোকালে কবিৰ লেখনিত ধৰা নপৰা আনৰ অনাহুত ক্ষুদ্ৰকায় দহিকতৰা কবিৰ প্ৰাণপ্ৰিয়। দহিকতৰাৰ অপূৰ্ব ৰাগিণীত গছ-লতা পল্লৱিত হয়, কপোত মিথুনে প্ৰেম-প্ৰীতিৰ চিনাকী দিয়ে, চক্ৰবাক মিথুনৰ মনত মিলনৰ আকাংক্ষা জাগে আৰু বিৰহিনী তপতীৰ অশ্ৰুনীৰ বৈ যায়। 'গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী কবিতাত কবিয়ে গাইছে:

কণ্ঠত মিলাই লই ছ'ত্ৰিশ-ৰাগিণী
প্ৰেমিক বিহগী তুমি,
ভুলালা কানন ভূমি,
গিৰি-গুহা উপবন, সিন্ধু তৰঙ্গিনী;
গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী!

চৌধাৰীৰ চৰাই বিষয়ক কবিতাৰ ভিতৰত দহিকতৰা নিসে-

স্নেহে শ্ৰেষ্ঠ। ' কেতেকী ' কাব্যৰ শ্ৰেষ্ঠতাও অস্বীকাৰ কৰিব নোৱাৰি । এই অনুপম কাব্যখনি সম্পৰ্কে ডঃ বাণীকান্ত কাকতিদেৱে মন্তব্য কৰিছে—' বহাগীৰ বিয়াত যি আনন্দৰ পূৰ্ণ বেখা উভৱে আৰু চৰাই জীৱনত আবদ্ধ আছিল কেতেকী কবিতাত সেই আনন্দই পাৰ ভাঙি আহি মানৱ সমাজৰ ঘবুৱা জীৱনকো প্লাৱিত কৰিছে।' কাকতিদেৱে 'কেতেকী'ৰ পাতনিত লিখিছিল ; ' কবি জীৱনৰ বহুদিন ব্যাপী সঞ্চিত ভাবৰ ক্ৰমবিকাশ দেখুৱাব পৰা কবিতা চোঁধাৰী ডাঙৰীয়াৰ চৰাই কবিতাবোৰৰ বাজে অসমীয়া সাহিত্যত বৰ বিৰল ।' কেতেকী কবিতাত কবিৰ মনত সাচি থোৱা চিৰকলীয়া ভাববোৰ পৰিণত অৱস্থাত স্তুপীকৃত সৌন্দৰ্য্য ৰূপে প্ৰকাশ পাইছে ।

কেতেকীৰ মাজেৰে আধ্যাত্মিক ভাৱৰ স্ফুৰণ হোৱাটোও এক বিশেষ লক্ষ্য কৰিবলগীয়া কথা । পাচঁটি তৰঙ্গত বিভক্ত অনুপম কাব্যখনিৰ প্ৰথম তৰঙ্গত অজানা দেশৰ পৰা অহা পখিটিয়ে বনে বনে আপোন পাহৰা হৈ উদাস সুৰেৰে গীত গোৱা দেখি আচৰিত হৈ প্ৰশ্ন কৰিছে । চিনিব পৰা নাছিল যদিও সিয়েই আছিল প্ৰেমৰ প্ৰতীক ; পবিত্ৰ প্ৰেমৰ বতৰা বিলাবলৈয়ে দেৱদূত-ৰূপে মৰ্ত্যত আবিৰ্ভাৱ হৈছে । কেতেকীকো প্ৰকৃতিৰ প্ৰতিটো বস্তুৱে সম্ভাষণ জনোৱাৰ বাবে যেন সাজি-পাৰি ওলাই আহিছে । কিন্তু প্ৰশ্ন হ'ল, কেতেকীৰ এনেকুৱা প্ৰভাৱৰ কাৰণ কি ? ইয়াৰ মূলতেই কিবা এটি ঐশি শক্তি লুকাই আছে ।' কেতেকী যেন স্বৰগ আৰু মৰতৰ এক যোগসূত্ৰ । সেয়ে কেতেকীৰ মাতত ' ভৱ জলধিৰ যাত্ৰী সকলৰ প্ৰাণ' জাগি উঠে । তাৰ গীতৰ মূৰ্ছনাক বুঢ়া লুইতেও সহাঁৰি দিয়ে ঃ

সি প্ৰেম গীতত বুঢ়া লুইতৰ
ফুলি উঠে ক্ষীণ গা ;

কেৱল সেয়াই নহয়, ঘৰুৱা জীৱনতো কেতেকীৰ মাতে আউল লগায়, জীয়ৰী বোৱাৰীয়ে মনৰ স্থিৰতা হেৰুৱায়

তোৰ মাত শুনি লাজুকী বোৱাৰী
ৰবলই এৰে ত'াত,
হাতৰ মাকোটি হাততেই ৰত
হেৰায় মুখৰ মাৰ ।

কেতেকীৰ গীতৰ কিযে মোহিনী ৰূপ, যাক শুনিলে ভাগৰ পলায়, পেটত নালাগে ভোক, মায়াৰ ছলনা নাথাকে সমূলি । কবিয়ে তেতিয়াহে চৰাইৰ প্ৰকৃত 'স্বৰূপ বুজি পাইছে । ইমান দিনে বিচাৰি ফুৰা ' তয়েই মোৰ জীৱন লগৰী হৃদি বামনাৰ ধন ।' একমাত্ৰ শান্তি আছে কেতেকীৰ সান্নিধ্যত । সেয়ে কবিয়ে ক্লেদপূৰ্ণ সংসাৰত থাকিব নিবিচাৰে—

বাট দেখুৱাই লই যা সাদৰী
নাথাকো ই সংসাৰত
শতধাৰা হই প্ৰেম মন্দাকিনী
সদায় বইছে য'ত ।

একা বেকা পথেৰে ফাগুনৰ আলহি হৈ আহি গুছি গলেও তেওঁ সংসাৰ মৰুত মৰুদ্যানৰ সৃষ্টি কৰি যি কাব্য ফুলনি সজাই থৈ গল তাৰ সৌৰভে দশোদিশ সুশোভিত কৰি আজিও মানুহৰ মনত অনুকম্পা জগাই আছে । * * *